# মিচিংসকলৰ লোকবাদ্য

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া DSE-3(H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প।


তত্বাৱধায়ক
ড° মৃণালী কাগ্য়ুং
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
শ্ৰীমতী ময়ূৰী বাঢ়ৈ
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
Roll No: 30810113
Registration No : S1921657



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট

ইং: ২০২২ বৰ্ষ


Scanned by CamScanner

# মিচিংসকসৰ লোকবাদ্য

সূচীপত্ৰ ঃ


কৃতজ্ঞতা
তত্বাৱধায়কৰ প্ৰমাণপত্ৰ
বিভাগীয় প্ৰধানৰ প্ৰমাণপত্ৰ
০.০ অৱতৰণিকা
০.১ বিষয়ৰ পৰিচয়
০.২ বিষয়ৰ উদ্দেশ্য
০.৩ বিষয়ৰ পৰিসীমা
০.৪ বিষয়ৰ পদ্ধতি
০.৫ পূৰ্বকৃত অধ্যায়ন
১.০ মূল বিষয়ৰ আলোচনা
অধ্যায় ১ ঃ ১.০ মিচিংসকলৰ পৰিচয় আৰু ইতিহাস
অধ্যায় ২ ঃ ১.০১ মিচিংসকলৰ লোকবাদ্য
১.০২ মিচিংসকলৰ লোকবাদ্য যন্ত্ৰ প্ৰকাৰ আৰু প্ৰস্তুত প্ৰণালী
১.০৩ মিচিংসকলৰ বাদ্যযন্ত্ৰৰ লগত জড়িত লোকবিশ্বাস
১.০৪ মিচিংসকলৰ উৎসৱ পাৰ্বণত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰ
অধ্যায় ৩ ঃ সিদ্ধান্ত
উপসংহাৰ
গ্ৰন্থপঞ্জী
প্ৰসংগ টোকা
তথ্যদাতাৰ তালিকা
আলোকচিত্ৰ


Scanned by CamScanner

## কৃতজ্ঞতা জ্ঞাপন

মিচিংসকলৰ লোকবাদ্য আলোচনা শীৰ্ষক প্ৰকল্পখন ড° মৃণালী কাগ্য়ুং বাইদেউৰ তত্বাৱধানত প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰপৰা আদি কৰি গৱেষণা বিষয়ক বহুটো দিহা-পৰামৰ্শ আগবঢ়াই আৰু লগতে বিভিন্ন সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত ড° মৃণালী কাগ্য়ুং বাইদেৱে সম্পূৰ্ণ সহায় সহযোগিতা আগবঢ়াই এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহায় আগবঢ়ালে যাৰ বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। তেখেতক হিয়াভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাক মোৰ গৱেষণা পত্ৰত সহযোগিতা আগবঢ়োৱা চৰিয়া পথাৰ মিচিং গাঁও, মেলামাটি শেৱালী পলং আৰু গড়াজান মিচিংগাঁৱৰ নমিতা পলঙক ধন্যবাদ জনালোঁ।

ডি.টি.পি. ত সহায় কৰা সুমংগল বৰুৱা, গৱেষণা ক্ষেত্ৰ অধ্যয়নৰ বাবে ঠাইলৈ লগত যোৱা আৰু কিতাপ পত্ৰ দি সহায় কৰা মৰমৰ বান্ধৱী প্ৰিয়াশ্ৰী বৰুৱা, পলি কলিতা, বাৰ্বী গগৈ আৰু গৱেষণা কাৰ্যত আৰম্ভণিৰে পৰা সহায় সহযোগিতা আগবঢ়োৱা মা আৰু দেউতাৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

ময়ূৰী বাঢ়ৈ
স্নাতক ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়

Scanned by CamScanner

অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
স্থাপিত ঃ ১৯৫৯

## প্ৰমাণ পত্ৰ

শ্ৰীমতী ময়ূৰী বাঢ়ৈ স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিক (ৰোল নং ঃ 30810113 ) ছাত্ৰী। তেঁও মোৰ তত্বাৱধানত DSE-3(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে মিচিংসকলৰ লোকবাদ্য বিষয়ত গৱেষণা কাৰ্য সম্পূৰ্ণ কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেঁও সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেঁওৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

তত্বাৱধায়ক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয় তিতাবৰ।

Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০

প্ৰসঙ্গ নং.........  তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী ময়ুৰী বাঢ়ৈ স্নাতক ষষ্ঠ ষাণ্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১১৩)ৰ ছাত্ৰী। তেওঁ ড° মৃণালী কাগয়ুঙৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **'মিচিংসকলৰ লোকবাদ্য'** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী কাগয়ুং

বিভাগীয় প্ৰধান

অসমীয়া বিভাগ,

নন্দনাথ শইকীয়া মহাবিদ্যালয়,

তিতাবৰ।

Head
Department of Assamess
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

১০ **অৱতৰণিকা ঃ**

অসমৰ মিচিংসকল মংগোলীয় গোষ্ঠীৰ তিব্বতধৰ্মী শাখাৰ অন্তৰ্গত। তেঁওলোকৰ আদি অৱস্থান সম্পৰ্কে পণ্ডিত সকল একমত নহয় যদিও সৰহসংখ্যক পণ্ডিতৰ মতে বৰ্তমান অৰুণাচল প্ৰদেশৰ কিঃলুংকাংগে নামৰ ঠাইখনেই তেঁওলোকৰ আদি বাসস্থান। মিচিংসকল অৰুণাচসৰ অধিবাসী আদী জনগোষ্ঠীসমূহ এটা ফৈদ বুলিও কোনো কোনোৱে ক'ব খোজে। মিচিংসকল আদীসকলতকৈ তিব্বতৰ পৰা আগতে ভৈয়ামলৈ আহিছিল। তিব্বতৰ পৰা নামি আহি তেঁওলোকে পোনপ্ৰথমে কাৰ্ক চিমং, ৰীগি ৰঠগাম্ আদি পাৰ্বত্য অঞ্চলত বসবাস কৰিছিল।

মিৰিসকলে নিজকে মিচিং বুলি পৰিচয় দিয়ে। কাৰণ নিজকে শ্ৰেষ্ঠ বুলি ভবাটো মানুহৰ সহজাত প্ৰবৃত্তি । সাধাৰণতে পাহাৰত বাস কৰা লোকসকলৰ গাৰ বৰণ বগা আছিল আৰু মিৰিসকলে নিজকে 'মি' (মানুহ) 'য়াছি' গ আমি ভাল মানুহ বুলি পৰিচয় দিছিল। মিৰি শব্দটো প্ৰকৃততে অনামিৰিয়ে দিয়া বুলি ধৰিব পাৰি। মিচিংসকলে নিজকে চন্দ্ৰ-সূৰ্যৰ বংশধৰ বুলি চিনাকি দিয়ে। তেঁওলোকৰ মতে চন্দ্ৰ পুৰুষ আৰু সূৰ্য প্ৰকৃতি। তেঁওলোকে চন্দ্ৰক পিতা আৰু সূৰ্যক মা বুলি গণ্য কৰে। সেইবাবে তেঁওলোকে কোনো পৰ্ব বা সকামত সৰ্বপ্ৰথমে 'দঃঞি – পঃল' ৰ নাম লয়।

মিচিংসকলে সাৰুৱা ভূমি আৰু বাসোপযোগী স্থান বিচাৰি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহে। বৰ্তমান অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ লক্ষীমপুৰ, ধেমাজি, শোণিতপুৰ, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত তেঁওলোকে বসবাস কৰি আহিছে। অৰুণাচলৰ চিয়াং-লোহিত জিলাতো মিচিঙৰ সেৰেঙা বসতি দেখা যায়। মিচিংসকলৰ বিভিন্ন দল বিভিন্ন সময়ত বিভিন্ন পথেৰে আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন অঞ্চলত বাস কৰিবলৈ লোৱাৰ পৰিণতি স্বৰূপে বৃহৎ অসমৰ অমিচিং নৃগোষ্ঠীসকলৰ মাজত সমাহৰণ প্ৰক্ৰিয়াৰ জৰিয়তে মিচিংসকল বৃহৎ অসমীয়া সংস্কৃতিৰ অংগীভূত হৈ পৰিল। দ্বিতীয়তে, অসমীকৰণ আৰু সাংস্কৃতিকীকৰণৰ পৰিণতি স্বৰূপে মিচিংসকলে তেঁওলোকৰ পৰম্পৰাগত সংস্কৃতি কিছু পৰিমাণে হেৰুৱাইছে। তাৰ উপৰি আধুনিকতাৰ দ্বাৰা মিচিং সংস্কৃতি কিছু পৰিমাণে প্ৰভাৱান্বিত নোহোৱাকৈ থকা নাই।

অসমৰ আন আন জনজাতিৰ দৰে মিচিংসকলেও পৰম্পৰাগত বিভিন্ন উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰাৰ উপৰি বিভিন্ন ৰীতি-নীতি আদি পালন কৰে। তেঁওলোকৰ উৎসৱসমূহ মূলতঃ কৃষিভিত্তিক। কৃষি কৰ্মৰ নানা স্তৰৰ মাজেদি তেঁওলোকৰ উৎসৱবোৰ পালন কৰা হয়। এই উৎসৱবোৰৰ মাজেদি মিচিংসকলৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয় বিশ্বস, জীৱন-ধাৰণ প্ৰণালী, খাদ্যাভ্যাস, সাজপা, নৃত্যগীত, লোকবাদ্য আদি প্ৰকাশ পায়। ইয়াৰ পৰিণতিত মিচিংসকলৰ মাজত বিবিধ বাচিক কলাৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈছে। মিচিংসকলৰ সমাজ জীৱনত এই বাচিক কলাৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী।

প্ৰায় দ্বাদশ শতিকাৰ পৰাই অসমৰ সমতল ভূমিত নদ-নদীৰ পাৰে পাৰে বসতি কৰি অহা মিচিংসকলে নিজকে 'আৱতানী' (মানৱ পিতৃ) ৰ বংশধৰ বুলি পৰিচয় দিয়ে। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে ত্ৰতিয়া পাহাৰত মিচিং বুলি কোনো জনগোষ্ঠী নাই। তেঁওলোকে প্ৰচীন কালতে পাহাৰ এৰি অসমৰ সমতল ভূমি বায় কৰিবলৈ লয়।

Scanned by CamScanner

০১
**বিষয়ৰ পৰিচয় ঃ**

অসম ভিন্ন জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ ৰাজ্য। এই ভিন্ন জাতি-জনগোষ্ঠীৰ ভিতৰত মিচিংকসল অন্যতম। এওঁলোক মংগোলীয় নৃগোষ্ঠীৰ অন্তৰ্গত তিব্বতবৰ্মী ভাষাগোষ্ঠী লোক। ঐশ্বৰ্যময় পৰম্পৰা, মহৎ ঐতিহ্য আৰু বৈচিত্ৰময় তথা চহকী সংস্কৃতিৰ অধিকাৰী মিচিং জনগোষ্ঠীৰ বিষয়ে আহোম বুৰঞ্জীত পোন-প্ৰথমে স্বৰ্গদেউ প্ৰতাপ সিংহৰ (১৬০৩-১৬৪১) ৰাজত্ব কালৰ বৰ্ণনাত পোৱা যায় বুলি কিছুমান পণ্ডিতে ক'ব খোজে যদিও তাৰ বহু বছৰ আগতেই স্বৰ্গদেউ চুহুংমুঙৰ (১৪৯৭-১৫৩৯) ৰাজত্বকালৰ বৰ্ণনাসম্বলিত আহোম বুৰঞ্জীতে মিচিং জনগোষ্ঠীৰ বিষয়ে উল্লেখ থকা দেখা যায়। উত্তৰ-পশ্চিম চীনৰ হোৱাংহো আৰু য়া-চি-কিয়াং নদীৰ অৱবাহিকাই হ'ল চীন-তিব্বতীয় মংগোলীয় প্ৰজাতিৰ অন্তৰ্গত মিচিং জনগোষ্ঠীৰ আদিম বাসস্থান আৰু তাৰ পৰা প্ৰব্ৰজন হৈ বাস কৰিবলৈ লয় পুৰণি অসমৰ আবৰ (আদী) পৰ্বতত (বৰ্তমান অৰুণাচল প্ৰদেশৰ অন্তভূক্ত) অসমৰ ভৈয়ামৰ সমতল ভূমিলৈ নামি অহাৰ সঠিক সময় নিৰ্দ্ধাৰণ কৰা জটিল যদিও এই কথা ক'ব পৰা যায় যে ১২২৮ খৃঃৰ বহু আগৰ পৰাই অসমৰ ভৈয়াম অঞ্চলত মিচিংসকল বসবাস কৰিছিল। ভৈয়ামলৈ আহি বিভিন্ন জনগোষ্ঠীৰ সান্নিধ্যত যুগ যুগ ধৰি বসবাস কৰি থাকিলেও মিচিংসকলে স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যৰাজীয়ে বৰ্তমান উজলি আছে। এই বৈশিষ্ট্যসমূহ তেঁওলোকৰ খাদ্য, বস্ত্ৰ, বাসস্থান, নৃত্য-গীত, লোকবিশ্বাস, ৰীতি-নীতি, সাজপাৰ, লোকবাদ্য আদি সমাজ জীৱন সকলো দিশতেই লক্ষ্য কৰা যায়। আদীসকলে নিজৰ ধৰ্মমত, আচাৰ-ব্যৱহাৰ, সামাজিক আৰু প্ৰশাসনিক মূল্যবোৰ এৰি দিবলৈ টানপায়। তেঁলোকে ভৈয়ামৰ সংস্কৃতিৰ পৰা মুক্ত হৈ থাকিব বিচাৰে। সেইবাবে তেঁওলোকক আবৰী বা আবৰ আখ্যা দিয়া হৈছিল।

অসমৰ ভিন্ন জনগোষ্ঠীবোৰৰ দৰে মিচিংসকলৰো নিজস্ব বৈশিষ্ট্যপূৰ্ণ আৰু পৰম্পৰাগত লোকবাদ্য যন্ত্ৰ আছে। মিচিং জনগোষ্ঠীসকলৰ মাজত ভালেমান বাদ্যৰ ব্যৱহাৰ কৰা দেখা যায়। মিচিংলোকে উৎসৱসমূহত গীত আৰু নৃত্যক সম্পূৰ্ণ ৰূপ প্ৰদান কৰে লোকবাদ্যই। তেঁওলোকে বিভিন্ন বাদ্যযন্ত্ৰ নিৰ্মাণ কৰি আনন্দোৎসৱ পালন কৰে। অতীতৰ পৰাই তেঁওলোকৰ ধাতৱ পদাৰ্থৰ সীমিত ব্যৱহাৰৰ বাহিৰেও বাঁহ, নল, খাগৰি, বনৰীয়া লাও আদিৰ পৰাও বাদ্যযন্ত্ৰ সাজি উলিয়ায়। অসমীয় সমাজ-ব্যৱস্থাত প্ৰচলিত ঢোল (দুমদমু), গুংগাং (গগণা), বাঁহী (তাপুং), পেঁপা (পেম্পা), বীণা (বীন), দুলুকি আদি মিচিঙত এইদৰে নামকৰণ কৰা হয়। মিচিং সমাজত ব্যৱহৃত বাদক তাপুং, দেনদুন, দুম্পাগ, য়ক্চা, ৰাইকঃৰেগ আদিৰ নিৰ্মাণ আৰু বজোৱা পদ্ধতিৰ নিজস্ব বিশেষত্ব আছে। উল্লেখিত জনগোষ্ঠী সমূহে সংগীত চৰ্চাৰ ক্ষেত্ৰত কিছুমান বাদ্যযন্ত্ৰ অতীজৰে পৰা ব্যৱহাৰ কৰি আহিছে। মূলতঃ প্ৰকৃতিৰ পৰা আহৰণ কৰা এই বাদ্যসমূহৰ মাজেদি তেঁওলোকৰ কলা সুলভ মনৰ উমান পোৱা যায়।

প্ৰত্যেকটো জাতি বা জনগোষ্ঠীয় জীৱনচৰ্চাৰ লগত সংগীত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। মিচিংসকলো ইয়াৰ ব্যতিক্ৰম নহয়। লোকজীৱনৰ লগত লোকগীত আৰু লোকবাদ্যৰ সম্পৰ্ক অভিন্ন। লোকবাদ্যসমূহে এটা জনগোষ্ঠীৰ সৌন্দৰ্যবোধ,সৃজনশীলতা আৰু কলাসুলভ মনৰ পৰিচয় দিয়ে। পৰম্পৰাগতভাৱে মিচিং সমাজত প্ৰচলিত বাদ্যসমূহৰ উল্লেখ তেঁওলোকৰ 'আঃবাঃ' (প্ৰচীন লোকগীত) সমূহত পোৱা যায়।

Scanned by CamScanner

**০.০২ বিষয়ৰ উদ্দেশ্য ঃ**

লোকসংস্কৃতি সংস্কৃতিৰ এটা অংগ। ইয়াৰে সৈতে লোকজীৱন আৰু লোকসমাজৰ প্ৰসংগ জড়িত হৈ আছে। বাৰেৰহনীয়া সংস্কৃতিৰ মিলনভূমি অসমত বিভিন্ন জাতি-জনজাতি নিজস্ব সংস্কৃতি ৰীতি-নীতি পৰম্পৰা বৰ্তি থকা দেখা যায়। এই অসমৰ অন্য জনগোষ্ঠীয় সকলৰ দৰেই বাৰে বৰণীয়া সংস্কৃতিৰে সমৃদ্ধ মিচিংসকল অসমৰ দ্বিতীয় বৃহৎ জনজাতীয় জনগোষ্ঠী। এওঁলোকৰ উৎসৱমূলক গীতবোৰৰ লগত মিচিং জনজীৱনৰ নিবিড় সম্পৰ্ক আছে। মিচিংসকল আমোদপ্ৰিয়। তেঁওলোকে বিভিন্ন বাদ্যযন্ত্ৰ নিৰ্মাণ কৰি আনন্দোৎসৱ পালন কৰি আহিছে। সেয়েহে মিচিং লোক উৎসৱসমূহত গীত আৰু নৃত্যক সম্পূৰ্ণ ৰূপ প্ৰদান কাৰা লোক বাদ্য যন্ত্ৰ সমূহৰ অধ্যয়নৰ দ্বাৰা এই সম্পৰ্কে আৰু অধিক জ্ঞান প্ৰাপ্তিৰ উদ্দেশ্য আগত ৰাখি এই গৱেষণা পত্ৰখনিৰ বিষয়টো নিৰ্বাচন কৰিছিলো। প্ৰধানকৈ তিনিটা বিষয় আগত ৰাখি এই বিষটো অধ্যয়ন কৰাৰ প্ৰয়াস কৰা হৈছে —

১/ মিচিং সমাজত ব্যৱহৃত বাদ্যযন্ত্ৰ সমূহৰ সম্পৰ্কে সম্পূৰ্ণ জ্ঞাত বোৱাৰ লগতে সেই লোকবাদ্য যন্ত্ৰ সমূহৰ সম্পৰ্কে অধ্যয়নত প্ৰয়াস কৰা হৈছে।

২/ মিচিং জনগোষ্ঠী সকলৰ মাজত প্ৰচলিত বিভিন্ন লোকবাদ্যসমূহৰ সম্পৰ্কে জনাৰ উদ্দেশ্য আগত ৰাখিয়ে এই বিষয়টো নিৰ্বাচন কৰা হৈছে।

৩/ এই লোকবাদ্য সমূহৰ সম্পৰ্কে বিস্তৃত জ্ঞান অৰ্জন কৰা লগতে ইয়াৰ লোকবিশ্বাস, লোকবাদ্য সমূহৰ বিভিন্ন প্ৰকাৰসমূহৰ পৰম্পৰাগতভাৱে মিচিং সমাজত প্ৰচলিত বাদ্যসমূহৰ বিষয়ে জনাৰ উদ্দেশ্য আগত ৰাখিও বিষয়টো নিৰ্বাচন কৰা হৈছে।

Scanned by CamScanner

**০.০৩ বিষয়ৰ পৰিসীমা ঃ**

গৱেষণা পত্ৰখনিত মিচিংজনগোষ্ঠীৰ পৰিচয় দিয়া লগতে তেঁওলোকৰ পৰম্পৰাগত লোকবাদ্য তথা বাদ্যযন্ত্ৰ সমূহৰ বিষয়ে আলোচনা কৰা হৈছে। পত্ৰখনিত মিচিংসকলৰ পৰম্পৰাগত লোক বাদ্য যন্ত্ৰৰ নিৰ্মাণ, বাদ্যযন্ত্ৰ প্ৰকাৰ, প্ৰস্তুত প্ৰণালী বাদ্যযন্ত্ৰ লগত লোকবিশ্বাস জড়িত আদি বিষয়সমূহ সামৰি লোৱা হৈছে।

**০.০৪ বিষয়ৰ পদ্ধতি ঃ**

যিকোনো এখন গৱেষণা পত্ৰ প্ৰস্তুত কৰিবলৈ হ'লে প্ৰথমতে বিজ্ঞানসন্মত ভাৱে আলোচনা কৰিব লাগিব। এই গৱেষণা পত্ৰখনি প্ৰস্তুত কৰিবলৈ কেইবাটাও পদ্ধতি অৱলম্বন কৰা হৈছে।

প্ৰথমতে পত্ৰখনি প্ৰস্তুত কৰিবলৈ তথ্য সংগ্ৰহ পদ্ধতি হিচাপে সাক্ষাৎকাৰ পদ্ধতি সহায় লোৱা হেছে। এই পদ্ধতিত প্ৰধানকৈ কিছুমান গাঁৱলৈ গৈ তাত থকা মানুহৰ লগত সাক্ষাৎকাৰ লোৱা হৈছিল। দ্বিতীয়তে, পত্ৰখনি প্ৰস্তুত কৰিবলৈ মিচিংসকলৰ লোকবাদ্য বোৰৰ পৰম্পৰা সংস্কৃতিৰ লগত জড়িত গ্ৰন্থসমূহ খৰচি মাৰি জানিবলৈ চেষ্টা কৰিছিলোঁ। বিষয়টোৰ লগত প্ৰথমতে পৰিচয় হ'ব লাগিব আৰু বিষয়টো ভালদৰে বিশ্লেষণ কৰি গৱেষণা পত্ৰ প্ৰস্তুত কৰা হৈছে।

**০.০৫ পূৰ্বকৃত অধ্যয়ন ঃ**

গৱেষণা পত্ৰখন অধ্যয়ন কৰিবলৈ যোৱাৰ আগতে বহুকেইজন গ্ৰন্থকাৰ সাহিত্যিক মিচিং জনগোষ্ঠীৰ লোকবাদ্য তথা বাদ্যযন্ত্ৰৰ বিষয়ে বহুটো গ্ৰন্থত আলোচনা কৰা দেখা যায়। মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত লোকবাদ্য বিষয়ে অধ্যয়ন কৰা কেইখনমান গ্ৰন্থ তলত আলোচনা কা হ'ল —

ক) ড° অজন্তা ৰাজখোৱাৰ দ্বাৰা সম্পাদনা কৰা 'মিচিং সংস্কৃতিৰ সুবাস' গ্ৰন্থখনত মিচিংসকলৰ বাদ্য তেঁওলোকৰ বাদ্যযন্ত্ৰত ব্যৱহাৰ কৰা বিভিন্ন সা-সজুঁলি প্ৰয়োগ, বাদ্যসমূহৰ নিৰ্মাণ প্ৰণালীৰ বিষয়ে অধ্যয়ন কৰা দেখা যায়।

খ) পদ্ম পাটৰ দ্বাৰা সম্পাদিতৈ কৰা 'জনজাতি সমাজ সংস্কৃতি' গ্ৰন্থত লোক-উৎসৱত ব্যৱহৃত বাদ্যযন্ত্ৰৰ বিষয়ে আলোচনা কৰিছে।

গ) ড° অংশুমান দাসৰ সম্পাদনা কৰা 'অসমৰ বাৰেবৰণীয় সংস্কৃতি' গ্ৰন্থখনত মিচিং জনগোষ্ঠীসকলৰ মাজত ভলেমান বাদ্যৰ ব্যৱহাৰ, কিছু আকৃতি, প্ৰকৃতিগত সাদৃশ্য আদি বিষয়ে আলোচনা কৰিছে।

ইয়াৰ উপৰিও ড০ গণেশ পেগুৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিং জনজাতি আৰু তেঁওলোকৰ মৌখিক-সাহিত্যৰ সমীক্ষামূলক অধ্যয়ন আৰু ড০ মৃণালী কাগয়ুঙৰ 'ক্ৰমবিৱৰ্তন মিচিং লোকউৎসৱ' আদি বিভিন্ন গ্ৰন্থত মিচিংসকলৰ লোকবাদ্য বিষয়ে অধ্যয়ন কৰা হৈছে।

Scanned by CamScanner

## ১.০০ মূল বিষয়ৰ আলোচনা ঃ

### অধ্যায় ১ ঃ মিচিংসকলৰ পৰিচয় আৰু ইতিহাস

অসমখন বিভিন্ন জাতি-জনজাতিৰ সমন্বয় ভূমি। ইয়াৰে এটি অন্যতম জাতি হ'ল মিচিং। মিচিংসকল বৰ্তমান ভৈয়ামত বাস কৰা অসমৰ এটা উল্লেখযোগ্য জনজাতি। আদিতে তেঁওলোক অসমৰ উত্তৰ-পূবফালে থকা পাহাৰত আছিল বুলি জনা যায়। পাহাৰত থকা মিচিং আৰু ভৈয়ামত থকা মিচিংসকলৰ মাজত সাদৃশ্য-বৈসাদৃশ্য লক্ষ কৰা যায়। চুতীয়া ৰাজত্বৰ শেষ আৰু আহোম ৰাজত্বৰ আৰম্ভণিতে মিৰি সকল ভৈয়ামলৈ নামি আহিছিল বুলি জনা যায়।

মিৰিসকলে নিজকে মিচিং বুলি পৰিচয় দিয়ে। কাৰণ নিজকে শ্ৰেষ্ঠ বুলি ভবাটো মানুহৰ সহজাত প্ৰবৃতি। সাধাৰণতে পাহাৰত বাস কৰা লোসকলৰ গাৰ বৰণ বগা আছিল আৰু মিৰিসকলে নিজকে 'মি' (মানুহ) 'য়াছিং' বা আমি ভাল মানুহ বুলি পৰিচয় দিছিল। মিচিংসকলে নিজকে চন্দ্ৰ-সূৰ্যৰ বংশধৰ বুলি চিনাকি দিয়ে। তেঁওলোকৰ মতে চন্দ্ৰ পুৰুষ আৰু সূৰ্য প্ৰবৃতি। তেঁওলোকে চন্দ্ৰক পিতা আৰু সূৰ্যক মা বুলি গণ্য কৰে। সেইবাবে তেঁওলোকে কোনো পৰ্ব বা সকাম নিকামত সৰ্বপ্ৰথমে 'দঃগ্ৰি-পঃল' ৰ নাম লয়।

বৰ্তমান মিচিং লোকসকলে ইয়াৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা জিলাসমূহৰ ভিতৰত - লক্ষিমপুৰ, বিশ্বনাথ চাৰিআলি, ধেমাজি আৰু মাজুলী জিলাত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা জিলাসমূহৰ ভিতৰত গোলাঘাট, যোৰহাট, ডিব্ৰগড়, শিৱসাগৰ, চৰাইদেউ আৰু তিনিচুকীয়া জিলাত আৰু অৰুণাচল প্ৰদেশৰ পূব চিয়াং, নামনি দিবাং আৰু লোহিত জিলাত স্থায়ীভাৱে বসবাস কৰা দেখা যায়। অসমৰ জিলাসমূহৰ বিশেষকৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈবোৰৰ প্ৰধানকৈ দিহিং, দিচাং, দিখৌ, ভোগদৈ, জাঁজি, দিচৈ, ধনশিৰি, খাবুলি, বুৰৈ, শোৱণশিৰি আদিৰ পাৰত বসবাস কৰা মিচিংসকলে বিভিন্ন সময়ত বিভিন্ন উৎসৱ-পাৰ্বণ পালন কৰে। তেঁওলোকৰ উৎসৱসমূহ মূলতঃ কৃষিভিত্তিক। এই উৎসৱবোৰৰ মাজেদি মিচিংসকলৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয় বিশ্বাস, জীৱন-ধাৰণ প্ৰণালী, খাদ্যাভ্যাস, নৃত্যগীত, সাজপাৰ আদি প্ৰকাশ পায়।

মিচিংসকল নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা মংগোলীয় গোষ্ঠীৰ। ভাষা-তাত্ত্বিক দৃষ্টিকোণৰ পৰা মিচিংসকল চীন-তীব্বতীয় ভাষা পৰিয়ালৰ উত্তৰ অসম বৰ্মী শাখাৰ অন্তৰ্গত। ভাৰতীয় সংবিধানত তেঁওলোকক মিৰি বুলি সন্নিবিষ্ট কৰিছে। এই 'মিৰি' শব্দই প্ৰথমতে মিচিংসকলৰ পুৰুহিতক বুজোৱা হৈছিল যদিও কালক্ৰমত এই শব্দৰে জাতিটোক বুজাবলৈ ব্যৱহাৰ কৰা হয়। মিচিংসকল বৰ্তমান অৰুণাচল প্ৰদেশ, উজনি অসম আৰু উত্তৰ অসম ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈবোৰৰ পাৰত বসবাস কৰা এক খিলঞ্জীয়া জনজাতীয় জনগোষ্ঠী। তেঁওলোকৰ নিজস্ব ভাষা -সংস্কৃতিৰে পৰিপূৰ্ণ এখন সমাজ আছে।

বৰ্তমান অৰুণাচল প্ৰদেশ আৰু অসমত বসবাস কৰা মিচিংসকলৰ লোক উৎসৱবোৰ বৈচিত্ৰময়। দুয়োখন ৰাজ্যৰ অন্যতম উল্লেখযোগ্য মিচিংসকলৰ লোক-উৎসৱসমূহৰ বিষয়ে আলোচনা কৰা হৈছে যদিও বিজ্ঞানসন্মত ভাৱে আৰু একেলগে সকলোবোৰ উৎসৱ সামৰি আজিলৈকে অধ্যয়ন কৰা হোৱা দেখা নাই। এই অধ্যয়নে জনগোষ্ঠীটোৰ দৈনন্দিন জীৱন-ধাৰণ প্ৰণালী, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এক বাস্তৱ ৰূপ দাঙি ধৰি তেঁওলোকৰ বিষয়ে এক সম্যক ধাৰণা কৰিব পৰাত ইন্ধন যোগাব পাৰিব।

Scanned by CamScanner

এটা জাতিৰ ইতিবৃত্তি তথ্য বুৰঞ্জী লিখা যথেষ্ট কঠিন কাম। তাতে মিচিং জনগোষ্ঠীৰ দৰে কোনো পুৰণি তথ্যপাতি নোহোৱা, লিখিত বুৰঞ্জী নথকাসকলৰ অতীতৰ ইতিবৃত্তি সঠিকভাৱে ৰচনা কৰা আৰু কঠিন। তথাপি, বৰনৈৰ বুকুত বুটলি পোৱা এডুখৰি শিলাখণ্ডৰো নিজস্ব ইতিহাস থকাৰ দৰেই বৰনৈৰ পাৰে বসতি কৰি প্ৰাগ ঐতিহাসিক কালৰ পৰা বসবাস কৰা মিচিংসকলৰো নিশ্চয় নিজস্ব ঐতিহ্যপূৰ্ণ দীৰ্ঘলীয়া ইতিহাস আছিল। সেই অলিখিত ইতিহাস লিপিবদ্ধ কৰি ৰাখিবলৈ কোনোবাই এদিন হাতত কলম তুলি ল'ব লাগিবই। এনে গভীৰ বিশ্বাসৰ বশৱৰ্তী হৈ জীৱনভৰা অন্বেষণ, নিৰিক্ষণ আৰু বিস্তৃত অধ্যয়নত ব্ৰতী হৈছিলো। আৰু তেনে অধ্যয়নত লাভ কৰা তথ্যপাতিৰেই মিচিং সকলৰ এই চমু ইতিহাস বিশ্লেষণৰ প্ৰয়াস কৰা হৈছে।

মিচিংসকলৰ উৎপত্তি, প্ৰব্ৰজন আদি সম্পৰ্কত তেনে কোনো প্ৰতিষ্ঠিত লিপিবদ্ধ তথ্য পাবলৈ নাই। যি আছে সকলো আখ্যান উপাখ্যান আৰু মৌখিক ৰূপত আছে। সেইবাবেই 'ইতিবৃত্তি' শব্দটো বেছি গ্ৰহণযোগ্য বুলি বিবেচনা কৰা হৈছে। তথাপি তাৰ মাজৰেই মিচিংসকলৰ ইতিবৃত্তিৰ বিষয়ে থূলমূলকৈ আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

'ভৈয়ামৰ মিৰি' তথা মিচিংসকলৰ বৃহৎ মংগোলীয় জাতিৰ তিব্বত বৰ্মী মূল শাখাৰ পৰা ওলোৱা এটি প্ৰয়াস। স্বীকৃত তথ্য মতে মানৱ জাতিক প্ৰধান চাৰিটা ভাগত ভগাব পাৰি। ১/ অষ্ট্ৰ-অষ্ট্ৰলয়ড্, ২/ মঙ্গলয়ড্, ৩/ নিগ্ৰইড্, ৪/ ককেচিয়ান। ইয়াৰে মঙ্গলয়ড্‌সকলৰ ঘাই বাসস্থান হৈছে এচিয়া মহাদেশ।

মিচিং আদি সমাজত প্ৰচলিত কিম্বদন্তী, আখ্যান- উপাখ্যানৰ আধাৰত তেঁওলোকে উত্তৰৰ ওখ পাহাৰ তথা তিব্বতৰ পৰা প্ৰব্ৰজন কৰি অহা বুলি অনুমান কৰা হৈছিল। কিন্তু সঠিক তথ্যৰ অভাৱত নিশ্চিত সিদ্ধান্তত উপনিত হোৱা নাছিল। পিছে, যোৱা শতিকাৰ আগভাগত চীন দেশত আৱিস্কৃত কিছু প্ৰচীন সামগ্ৰীৰ ওপৰত বৈজ্ঞানিক দৃষ্টিৰে অধ্যয়ন কৰি কেইবাগৰাকী পাশ্চাত্যৰ পণ্ডিতে অতি মূল্যবান তথ্য প্ৰকাশ কৰিছে। অতি প্ৰাচীন তথা খ্ৰীষ্টপূৰ্ব ১৭ শতাব্দীৰ আগৰ বুৰঞ্জী তেতিয়াৰ মৃতদেহৰ দাঁতত লিপিবদ্ধ কৰি গৈছে। সেই লিপিবদ্ধ কৰি যোৱা তথ্যবোৰ হৈছে —

ক) সেই সময়ৰ শ্বাংবংশৰ মুৰব্বী সকলে বৰ আড়ম্বৰপূৰ্ণ আয়োজনেৰে উপৰি পুৰুষসলক পূজা দিছিল। (মিচিংসকলেও ওপৰিপুৰুষ সকলৰ উদ্দেশ্য 'উৰম শুই' আৰু 'কুঃছাগ' অতি আড়ম্বৰপূৰ্ণ আয়োজনেৰে সমাধা কৰে।)

খ) তেঁওলোকে বাঁহ, বেত আৰু কাঠেৰে আয়তক্ষেত্ৰৰ চাংঘৰ সাজি দুচলীয়াকৈ খেৰৰ চাল দিছিল। (মিচিংসকলেও আজিকোপতি উপৰোক্ত ধৰণেই চাংগৰ সাজি থাকে।)

গ) তেঁওলোকৰ খেতিৰ আৰম্ভণি দিনা গাঁৱৰ মুৰব্বীজনে পথাৰত ফালেৰে মাটি ফালি প্ৰথম শস্য গুটি সিচিঁছিল। সেই দিনটো ইংৰাজী ফ্ৰেব্ৰুৱাৰী মাহতে পৰিছিল। (মিচিংসকলৰ 'আলি আয়ে লৃগাং' উৎসৱৰ লগত যথেষ্ট মিল দেখা যায়।

ঘ) প্ৰাচীন চীনাসকলে চন্দ্ৰ মাহ মানি চলিছিল। অৰ্থাৎ জোন মৰি ওলোৱাৰ লগত সম্বন্ধ ৰাখি মাহৰ হিচাপ ৰাখিছিল। (মিচিংসকলেও এমাহক 'পল' বুলি কয়। আৰু পৰৱৰ্তী জোন নেদেখালৈকে (পল কাৰ্কে কোমা চিতচীম্) নৱজাত শিশুক বাহিৰলৈ ওলাব নিদিয়ে। ইও 'চন্দ্ৰমাহ' নীতিৰে ভিতৰুৱা।

ঙ) প্ৰাচীন চীনটো পিতৃগোত্ৰীয় লোকৰ অৰ্থাৎ একে উপাধিধাৰী লোকৰ মাজত বিয়া বাৰু নিসিদ্ধ আছিল। এজন লোকৰ উপাধি চাই বংশ নিৰ্ণয় কৰিব পাৰিছিল। (মিচিং সমাজত এতিয়াও একে অপূন বা খেলৰ মাজত বিয়া বাৰু নিষিদ্ধ আৰু উপাধি চাই বংশৰ পৰিচয় পোৱা যায়।

Scanned by CamScanner

ওপৰত উল্লেখ কৰি অহা বুঞ্জীৰ তথ্যবোৰ আজিকোপতি মিচিং সমাজত মিচিং সমাজত চলি থকা বিশ্বাস আৰু ৰীতি-নীতিৰ লগত অদ্ভুত মিল দেখা যায়। সেইবোৰৰ আধাৰতে ক'ব পাৰি যে, উল্লেখিত সময়ছোৱাত মিচিংসকলৰ আদিম পূৰ্ব পুৰুষ সকল চীনৰ কোনোবা অঞ্চলত বাস কৰিছিল। আৰু সেই ঠাইৰ সংস্কৃতিকে বুকুত বান্ধি তেঁওলোকে খ্ৰীষ্টপূৰ্ব দুহেজাৰ চন মানত দক্ষিণ দিশলৈ গুচি আহিছিল। তাৰ পিছত সহস্ৰ বছৰ পাহাৰে বন্দৰে পৰিভ্ৰমণ কৰি মহাভাৰতৰ যুগত চাংপো নদীৰ উপত্যকা পাইছিলগৈ।

অৰুণাচলৰ অতি ওখ পাহাৰত থকা মিচিংসকলক ইতিবৃত্তি লিপিবদ্ধ কৰোঁতে শ্ৰী তৰুণ কুমাৰ ভট্টাচাৰ্যই এটি অতি তাৎপৰ্যপূৰ্ণ তথ্য উল্লেখ কৰিছে। চিমংসকলৰ মতে তেঁওলোক 'পৌদং আনী' নামৰ ঠাইৰ পৰা ওলোই আহি তিব্বতৰ 'লুকু-টিৰাং' নামৰ ঠাইত আছিল। তাৰ পৰা আহি এগ্ৰালুম্ চিয়াং অঞ্চলত কিছুদিন থাকি 'নামগংচিয়াংলৈ' গুচি আহিল। আনহাতে চীনদেশৰ দক্ষিণাংশ ভালকৈ অধ্যয়ন কৰিলে দেখা যায় দক্ষিণ চীনৰ ঘাই নদী য়াংছে-কিয়াং নদীৰ উৎপত্তিস্থলৰ পৰা আৰু এখন লৈ ওলাই আহিছে যাৰ নাম 'য়ালম কিয়াং'। চীন ভাষাৰ কিয়াং শব্দটো মিচিং আদিসকলৰ মুখত চিয়াং হৈ পৰিল। কিয়নো দুটা শব্দই নৈকে বুজায়। মিচিং আদীসকলৰ উপৰিপুৰুষ সকৰে 'য়ালম্ কিয়াং' তথা 'য়ালুম্ চিয়াং' উপত্যকাত কিছুদিন বাস কৰিছিল আৰু মিচিংসকলৰ অতি আদৰৰ সাতামপুৰুষীয়া সম্পত্তি 'দগ্নী তাদগ্' মণি সমূহ য়ালুম চিয়াং উপত্যকাৰ পৰা সংগ্ৰহ কৰিছিল বুলি ক'ব পাৰি।

মিৰি মিচিংসকল আদীসকলতকৈ বহু আগত চিয়াং উপত্যকালৈ আহিছিল। আৰু পাচত অহা আদিসকলে আগতীয়া প্ৰব্ৰজনকাৰী সকলক মিচিং বা মিৰি বুলি মাতিছিল। কিন্তু যোৱা শতিকাৰ আবৰ যুদ্ধ (১৯৯১ চন) সময়লৈকে লেডুম পাহাৰত মিচিং গাঁওকনৰ আলোকচিত্ৰ সান্নিৱিষ্ট কৰি গৈছে। পাহাৰত এতিয়াও দছিং নামৰ গাঁও আছে। ভৈয়ামৰ মিচিংসকলে আজিও নিজকে মিচিং বুলি চিনাকি দিহে গৌৰৱবোধ কৰে, কিন্তু আনেহে তেঁওলোকক মিৰি বা ভৈয়ামৰ মিৰি ব্যাখ্যা দিছিল।

Scanned by CamScanner

অধ্যায় ঃ২

## ১.০১ মিচিংসকলৰ লোকবাদ্য

বাদ্যযন্ত্ৰ পৰিবেশ্য ক'লাৰ অন্তৰ্গত। ভৰতীয় শাস্ত্ৰীয় পৰম্পৰা অনুসৰি নৃত্য, গীত আৰু বাদ্যক একেলগে সংগীত বুলি কোৱা হয়। সংগীতৰ এক উল্লেখযোগ্য অংগ হৈছে বাদ্য। গীতৰ লগত সংগতি ৰক্ষাৰ কাৰণে আৰু নৃত্যৰ সহযোগী হিচাপে বাদ্য অপৰিহাৰ্য। বাদ্য অবিহনে গীত-নৃত্য, নাট্য-অভিনয় ইত্যাদি নিষ্প্ৰাণ। এই কাৰণেই ঢোল, তাল, বেণু, বংশী, চেৰজা আদি বাদ্যযন্ত্ৰক পাত্ৰৰ বহিঃপ্ৰাণ আখ্যা দিয়া হয়। তদুপৰি স্বতন্ত্ৰ সংগীত সৃষ্টিটো বাদ্যৰ স্থান গুৰুত্বপূৰ্ণ। অতীতৰ ৰাজকীয় আদেশ-নিৰ্দেশ বাদ্যযন্ত্ৰৰ সহায়ত জনসাধাৰণলৈ প্ৰেৰণ কৰা হৈছিল। কিছুমান বাদ্য (শংখ, ঘণ্টা) পূজা উৎসৱত মাংগলিক শব্দ হিচাপে ব্যৱহাৰ কৰা হয়। বাদ্যযন্ত্ৰক কোনো ভৌগোলিক সীমা ৰেখাৰ মাজত আবদ্ধ কৰিব নোৱাৰি। ই এটা অঞ্চলৰ পৰা আন এটা অঞ্চললৈ প্ৰব্ৰজিত হয়।

সংগীতৰ জন্ম প্ৰকৃতিৰ মাজত। মানুহৰ অন্তৰৰ ভাৱনা প্ৰকৃতিৰ সৈতে এক হৈ যোৱাৰ আকাংক্ষাতে সংগীতৰ জন্ম। অসমত বসবাস কৰা সকলো জনগোষ্ঠীয়েই কৃষিজীৱি আৰু এওঁলোকৰ জন্ম অসমৰ বিনন্দীয়া প্ৰকৃতিৰ কোলাত। প্ৰকৃতিৰ লগত এনে আত্মীয়তাই এইসমূহ জনগোষ্ঠীৰ সংগীত সৃষ্টিত বিশেষভাৱে প্ৰভাৱ পেলাইছে। অসমৰ সংগীতৰ পৰম্পৰা আৰু ঐতিহ্যৰ ক্ষেত্ৰত জনগোষ্ঠীয় সংগীতে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। দেউৰী, আহোম, মিচিং, তিৱা, বড়ো, মটক, ঠেঙাল, হাজং, সোণোৱাল, মেচ, টাই, তুৰুং, খাময়াং, কাৰ্বি আদিৰ সংস্কৃতি তথা তেঁওলোকৰ পৰম্পৰাভাৱে প্ৰচলিত সংগীতে অসমীয়া সংগত জগতক বৰ্ণাঢ্য ৰূপ প্ৰদান কৰিছে। উল্লেখিত জনগোষ্ঠীসমূহে সংগীত চৰ্চাৰ ক্ষেত্ৰত কিছুমান বাদ্যযন্ত্ৰ অতীজৰে পৰা ব্যৱহাৰ কৰি আহিছে।

প্ৰত্যেকটো জাতি বা জনগোষ্ঠীয় জীৱনচৰ্চাৰ লগত সংগীত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে। মিচিং সকলো ইয়াৰ ব্যতিক্ৰম নহয়। লোকজীৱনৰ লগত লোকগীত আৰু লোকবাদ্যৰ সম্পৰ্ক ভিন্ন। লোকবাদ্যসমূহে এটা জনগোষ্ঠীৰ সৌন্দৰ্যবোধ, সৃজনশীলতা আৰু কলাসুলভ মনৰ পৰিচয় দিয়ে। পৰম্পৰাগতভাৱে মিচিং সমাজত প্ৰচলিত বাদ্যসমূহৰ উল্লেখ তেঁওলোকৰ 'আঃবাং' (প্ৰচীন লোকগীত) সমূহত পোৱা যায়। লাওবাহী (অৌজুক তাপুং), বাঁহৰ বাদ্য (দৌৰকি তাপুং) ম'হৰ শিঙৰ বাদ্য বা পেঁপা (জেগৰৌ তাপুং), মেগেলা ঠাৰিৰ পৰা তৈয়াৰ কৰা বাদ্য (পিঃচেং দুমদুম), গগণা (গুংগাং) - এইবোৰ বাদ্যযন্ত্ৰৰে মিবুৱে আজি 'মিবু আঃগং' গোৱা আৰম্ভ কৰিছে।

উল্লেখিত মিচিংসকলে বিভিন্ন বাদ্যযন্ত্ৰ নিৰ্মাণ কৰি আনন্দোৎসৱ পালন কৰে। অতীতৰ পৰা তেঁও বিলাকৰ ধাতৱ পদাৰ্থৰ সীমিত ব্যৱহাৰৰ বাহিৰেও বাঁহ, নল, খাগৰি, বনৰীয়া লাও আদিৰ পৰাও বাদ্যযন্ত্ৰ সাজি উলিয়ায়। অসমীয়া সমাজ ব্যৱস্থাত প্ৰচলিত ঢোল (দুমদমু), গুংগাং (গগণা), বাঁহী (তাপুং), পেঁপা (পেম্পা), বীণা (বিণ), দুলুকি আদি মিচিঙত এইদৰে নামাকৰণ হয়। মিচিং সমাজত ব্যৱহৃত বাদক যন্ত্ৰ তাপুং, দেনদুন, দুম্পাগ, য়কচা, ৰাইকংৰেগ আদি নিৰ্মাণ আৰু বজোৱা পদ্ধতিৰ নিজস্ব বিশেষত্ব আছে। পৰম্পৰাভাৱে নিৰ্মিত লোকবাদ্যবোৰৰ নিৰ্মাণকাৰীৰ অভাৱৰ কাৰণে ইয়াৰ ব্যৱহাৰ কমি আহিছে। এই বাদ্যবোৰ গাঁৱৰ কিছুমান পৈণত ব্যক্তিৰ হাতৰ পৰশত প্ৰস্তুত কৰা হয়।

Scanned by CamScanner

**১.০২ মিচিংসকলৰ লোক বাদ্যযন্ত্ৰ প্ৰকাৰ আৰু প্ৰস্তুত প্ৰস্তুত প্ৰণালী ঃ**

মিচিং জনগোষ্ঠীৰ সংস্কৃতি বৈচিত্ৰময় আৰু বৰ্ণাঢ্য। মিচিং জনগোষ্ঠী সকলৰ মাজত ভালেমান বাদ্যৰ ব্যৱহাৰ হোৱা দেখা গৈছে। অৱশ্যে মিচিংসকলৰ কোনো ইতিহাস নথকাৰ বাবে লোকবাদ্যসমূহৰ ক্ৰমবিকাশৰ ইতিহাস পোৱা নাযায়। ভৰত মুনিয়ে প্ৰকাৰ্যত্মক দিশৰ প্ৰতি লক্ষ ৰাখি ভাৰতীয় বাদ্যযন্ত্ৰক চাৰিটা ভাগত বিভক্ত কৰিছে — ক) ঘনবাদ্য, খ) তত বাদ্য, গ) সুষিৰ বাদ্য, ঘ) অৱনদ্ধ বাদ্য বা আনন্দ বাদ্য। এই শ্ৰেণীৰ বিভাজন পৃথিৱীৰ সকলো সংস্কৃতিতেই প্ৰযোজ্য। ভাৰতীয় সংগীত শাস্ত্ৰৰ আধাৰত মিচিং কৃষি উৎসৱত ব্যৱহৃত প্ৰধান বাদ্যসমূহক নিম্নলিখিত ধৰণেৰে ভাগ কৰিব পাৰি —

**মিচিংসকলৰ বাদ্যযন্ত্ৰ**

ঘনবাদ্য
তত বাদ্য
১/ লেঃনং
ক) দেনদুন্ বা
২/ বাৰবাং বা মাৰবাং
৩/ লুঃপি
ক) লৃঃচৃক
৪/ ককটোৰ বা টকা
খ) পুম্ছ
৫/ মিবু য়কচা
৬/ দুম্ পাক্
৭/ কঃৰেগ
ক) তু-তক তাপুং
৮/ তুলং তাপুং
৯/ গুংগাং-গুঃতিক

সুষিৰ বাদ্য
অৱনদ্ধ বাদ্য বা আনন্দ বাদ্য
১/ পেম্পা বা জেক্ৰেং তাপুং
ক) দুমদুম্
২/ ঔজুক তাপুং পিঃচেং
দুমদুম
খ) দেনতুগ
গ) পুঃই বা কেঃকু
গ) তুম্ব
৩/ বাঁহী জাতীয় বাদ্য
খ) দীৰকি

মিচিংসকলৰ প্ৰকাৰসমূহৰ বিষয় আৰু ইয়াৰ প্ৰস্তুত প্ৰণালী সমূহ এনে ধৰণৰ —

**ক) ঘনবাদ্য ঃ**

বিবিধ ধাতু আৰু বাঁহ-কাঠেৰে নিৰ্মিত বাদ্যসমূহক ঘনবাদ্য বোলে। এইজাতীয় বাদ্যযন্ত্ৰই আটাইতকৈ পুৰণি বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। পৃথিৱীৰ বিভিন্ন সমাজত এই বাদ্যৰ ব্যৱহাৰ আছে। ঘনবাদ্য বজোৱা সহজ। হাতচাপৰিও ঘনবাদ্যৰ ভিতৰত পৰে। এই বাদ্য কেৱল তাল আৰু চন্দ্ৰ ৰক্ষাৰ বাবেহে ব্যৱহৃত হয়। এই বাদ্যক সুৰাশ্ৰয়ী বাদ্য হিচাপে ব্যৱহাৰ কৰিব পৰা নাযায়। বিভিন্ন প্ৰকাৰৰ ঘণ্টা, তাল-কৰতাল, খুঁটিতাল, মঞ্জিৰা, টকা, কাঁহ, বৰকাঁহ আদি উল্লেখযোগ্য। ভাৰতৰ উত্তৰ-পূবৰ জাতি-জনজাতিৰ মাজত ঘনবাদ্যৰ ব্যৱহাৰ লক্ষ কৰা যায়। মিচিংসকলে পালন কৰা উৎসৱ আৰু পূজাসমূহত বহুকেইবিধ ঘনবাদ্য ব্যৱহাৰ কৰে।

Scanned by CamScanner

**১/ লেংনং ঃ**

মিচিংসকলৰ বৰকাঁহ বাদ্যক লেংনং বোলে। এই বাদ্যক কোনো কোনো ঠাইত 'লৌঃলং' বুলিও কোৱা হয়। লোৰ লগত কেইবাটাও পদাৰ্থৰ মিশ্ৰণ ঘটাই লেংনং তৈয়াৰ কৰা হয়। এই বাদ্য দেখাত কাণথকা এখন ডাঙৰ কাঁহীৰ দৰে, চাৰিওফালে ভিতৰলৈ ভাঁজখোৱা লেংনঙৰ মাজভাগ জাপিৰ মাজভাগৰ দৰে ওখ আৰু জোঙা। কাষত বিন্ধা কৰি এই বাদ্য ওলমাই ৰখা হয়। কাপোৰেৰে মেৰিওৱা এডাল মাৰিৰে মাজৰ ওখ অংশত কোবাই বজোৱা হয়। মংগোলীয় আৰু জনগোষ্ঠীসমূহৰ মাজতো এই ধৰণৰ বাদ্যৰ ব্যৱহাৰ আছে। পাদাম আৰু মিচিংসকলে এনে বাদ্যক 'লেমং' বোলে। তেঁওলোকে খৰাং বতৰৰ পৰা পৰিত্ৰাণ পাবলৈ এই বাদ্য বজায়। মিচিং সকলেও বৰষুণ কামনা কৰি আলি-আঃয়ে-লৃগাঙত এই বাদ্য বজায়। কুকি সকলে এনে বাদ্যক 'দাহ্‌পি বোলে। মিচিংসকলৰ দৰে কুকি পৰিয়ালৰো ই আপুৰুগীয়া সম্পদ। এনে বাদ কন্যাৰ লগত দিব পাৰিলে কুকি সমাজত কন্যাৰ অভিভাৱকৰ মান বাঢ়ে। মৃত্যুৰ বাতৰি অথবা অন্যান্য বাৰ্তা প্ৰেৰণ কৰিবলৈ এই বাদ্য বজোৱা হয়। অতীতৰ গাঁৱৰ মুৰব্বী লোকৰ মৃত্যুৰ বাতৰি , 'কোবাং (সভা) ৰ বাতৰি এই বাদ্যৰে গাঁওবাসীক জনোৱা হৈছিল। বেইটেসকলে 'ডাৰপুই', টাই বৌদ্ধধৰ্মীয় জনগোষ্ঠীৰ মাজত প্ৰচলিত এনে বাদ্যক 'জামতং' বা 'জামলং' বোলে। পাঃদাম, মিঞং, বৰি, অকাঁসকলৰ মাজতো এনে বাদ্যৰ ব্যৱহাৰ আছে। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়বোৰ জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা এই বাদ্যৰ জন্মস্থান সম্পৰ্কত যুগল দাসৰ মন্তব্য প্ৰণিধানযোগ্য। এইবিধ বাদ্য অসমত দক্ষিণ-পূব এছিয়াৰ পৰা সোমোৱা যেন লাগে। এনে বাদ্য ব্ৰহ্মদেশ, ইন্দোনেচীয়া, যৱদ্বীপ আদিতো ব্যৱহাৰ কৰা দেখা যায়। লেংনঙৰ ব্যৱহাৰ জাপান, কোৰিয়া আদি দেশতো দেখিবলৈ পোৱা যায়।

**২/ বাৰবাং বা মাৰবাং ঃ**

'বাৰবাং' বা 'মাৰবাং' লেংনঙৰ দৰে কাঁহেৰে তৈয়াৰ কৰা এবিধ বাদ্য। ইয়াৰ আকৃতিও কাঁহীৰ দৰে। মাজ অংশ ওখ নহয় যদিও নিৰ্মাণশৈলী লেংনঙৰ দৰে একে। এনে বাদ্য বৰ্তমান ডিমা হাছাও জিলাৰ কিছুসংখ্যক জনগোষ্ঠীৰ মাজত দেখা যায়। মাৰসকলে এনে বাদ্যক 'দৰটে', ৰাংখল সকলে 'দাৰথিৰ' ভাইফেসকলে 'দাকবু' বোলে। এইবিধ বাদ্যও তিব্বত, ব্ৰহ্মদেশ আদিৰ পৰা আহি অসম সোমাইছেহি। কাণৰ কাষত বিন্ধা কৰি ওলমাই, এফুটমান দীঘল মাৰি এডালত কাপোৰ বান্ধি তাৰ দ্বাৰা বজোৱা হয়।

**৩/ লুঃপি ঃ**

অসমীয়া তাল বাদ্যক মিচিংসকলে তালক 'লুঃপি' বোলে। অসম তথা ভাৰতৰ উত্তৰ-পূৱত বাস কৰা বিভিন্ন জাতি-জনজাতিৰ মাজত বিভিন্ন প্ৰকাৰৰ তালৰ ব্যৱহাৰ আছে। উদাহৰণস্বৰূপে, বড়োসকলৰ জথা বা জোথা, ৰাভাৰ খুঁটিতাল বা ভোৰতাল, কাৰ্‌বিৰ ছেংছ, জেমী নগাৰ ইনুটৰাই ইত্যাদি। মিচিংসমাজত ঠাইভেদে এই বাদ্যৰ নাম 'লুঃপিয়াক', 'লুপ্পাই' আৰু 'লুঃপি' বুলি কোৱা হয়। লুঃপি সৰু ডাঙৰ (প্ৰায় আধা কিলোগ্ৰামৰ পৰা তিনি কিলোগ্ৰামলৈকে) বিভিন্ন আকৃতিৰ পোৱা যায়। শব্দৰ মাধুৰ্য আৰু গাম্ভীৰ্য অনুযায়ী বিভিন্ন প্ৰসংগত বিভিন্ন লুঃপি ব্যৱহাৰ কৰা হয়। এই বাদ্য বিভিন্ন উৎসৱ সমূহত বজোৱা হয়। জাপান, জাভা আদিত এই তাল বাদ্যৰ প্ৰচলন আছে।

Scanned by CamScanner

**৪/ মিবু য়কচা ঃ**

মিবুৱে (পুৰুহিত) ধৰ্মীয় কামত ব্যৱহাৰ কৰা তৰোৱালখনক 'য়কচা' বোলে। য়কচা মিচিংসকলৰ ধৰ্মীয় পবিত্ৰ সম্পদ। ডাঃ নোমল পেগুৰ মতে মিচিংসকলে অতীজতে তিব্বতৰ পৰা য়কচা কঢ়িয়াই আনিছিল। তেঁও লিখিছে —

" Some believe that a few Yoksas have came down from their original abode. However there is hardly any doubt about its tibetan origin."

য়কচাখনৰ নালৰ কাষত খাৰুসদৃশ চেপেটা পাট লগোৱা থাকে। তাম বা লোহাৰ তৈয়াৰী পাটকেইটাক মিচিংভাষাত 'চাপেৰেং' বোলে। মিবুৱে তৰোৱালখনৰ নালত ধৰি জোকাৰি জোকাৰি গীত গাই নাচোঁতে এই পাটকেইচটাও তালে তালে বাজে। সেয়ে মিবুৰ এই য়কচাকনক পদ্যৰ শাৰীত ধৰা হয়। য়কচা এক বিশেষভাৱে তলা পদ্ধতিৰে নিৰ্মাণ কৰা হয়, লোহা গৰম কৰি পিটি পিটি বা মেৰিয়াই দা কোঠাৰ তৈয়াৰ কৰাৰ দৰে য়কচা তৈয়াৰ কৰা নহয়।

**৫/ 'কক্তেৰ' বা টকা ঃ**

তাল ৰক্ষা কৰিবলৈ ব্যৱহাৰ কৰা এবিধ বাঁহৰ বাদ্য হৈছে টকা। অসমৰ 'টকা' নামৰ বাদ্যটোক এক প্ৰকাৰৰ আদিম ঘন বাদ্য হিচাপে ধৰিব পৰা যায়। কাৰণ বিশাল প্ৰকৃতিৰ মাজত গঢ় লোৱা সমাজখনত প্ৰথমে প্ৰকৃতিৰ পৰা আহৰিত সম্পদেৰে বাদ্য নিৰ্মাণ কৰা হৈছিল। ই কেৱল বাদ্যই নহয়, খেতি পথাৰৰ শইচ চৰাই-চিৰিকতিৰ পৰা ৰক্ষা কৰিবলৈ অসমৰ কৃষিজীৱি মানুহে প্ৰয়েই টকাৰ ব্যৱহাৰ কৰে। লোকবিশ্বাস অনুসৰি টকাৰ ছন্দোময় শব্দত শইচ লহপহকৈ বাঢ়ে। সেয়েহে বিহু নামত গায়

ইফালে টকাৰ মাত সিফালে টকাৰ মাত
মাজত সোলেংগুৰি সুঁতি।
টকাৰ মাত শুনি বাঢ়িল চতিয়না
পুলিয়ে ধৰিলে গুটি।।

মিচিং ভাষাত 'কক্তেৰ' শব্দৰ অৰ্থ টকা। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত টকাৰ ব্যৱহাৰ আছে। অৱশ্যে জনগোষ্ঠীবিশেষ টকাৰ গঢ় সুকীয়া সুকীয়া। বড়োসকলে গুৰি বাঁহেৰে সাজি লোৱা টকাৰ গঢ় ডাঙৰ। ইয়াক 'থুৰ্কা' বুলি কয়। সোণোৱাল কছাৰীসকলে ব্যৱহাৰ কৰা টকা(হাত টকা) বহুত দীঘল। গুৰিটো মটিত থৈ দুয়োখন হাতেৰে বজায়। মিচিংসকলে পাতল জাতিহাঁহৰ পৰা এই বাদ্য তৈয়াৰ কৰে। দীঘল গাঁঠিৰ (পাত দীঘল) বাঁহৰ টুকুৰা কাটি এমূৰত ফালি আনটো মূৰ নফলাকৈ ৰাখে। গাঁঠি থকাৰ ফালে লেহুকা কৰি উঠা-নমা কৰিব পৰাকৈ চাঁচি দিয়া হয় যাতে এখন হাতেৰে এটা ফাল ধৰি আনটো ফালেৰে আঘাত কৰি বজাব পাৰি। ম্যানমাৰ, লাওচ আদি ঠাইৰ বসন্ত উৎসৱত টকাৰ প্ৰচুৰ ব্যৱহাৰ আছে।

**৬/ দুম্পাক্ ঃ**

'দুম্পাক্' তেনেই সৰল লোকবাদ্য। শুকান বাঁহৰ প্ৰায় ডেৰফুট দীঘল টুকুৰা এটা কাটি তাৰে এটা মূৰ গাঁঠি ৰাখি আনটো মূৰ খোলাকৈ ৰখা হয়। বাঁহ টুকুৰাৰ গাঁঠিৰ ওচৰত এফালে পাতলকৈ চাঁচি

Scanned by CamScanner

দিয়া হয়। এই চাঁচি দিয়া অংশত মাৰিৰে আঘাত কৰি এই বাদ্য বজোৱা হয়। এই বাদ্য গৰখীয়া ল'ৰাই পথাৰত ধেমালি কৰি বজায়।

**৭/ কঃৰেগ ঃ**

এই বাদ্য তৈয়াৰ কৰিবলৈ দুই বা আঢ়ৈ ফুট দৈৰ্ঘ্যৰ আৰু এক বা ডেৰ ইঞ্চি প্ৰস্থৰ টান কাঠৰ প্ৰয়োজন। কাঠটুকুৰাৰ দুইমূৰে হাতেৰে ধৰিবলৈ কিছু ঠাই ৰাখি বাকী অংশত জখলাৰ দৰে কাটি লোৱা হয়। এই জখলাৰ দৰে কাটি লোৱা অংশৰ ওপৰত জন্তুৰ দাঁতেৰে চোঁচৰাই শব্দ কৰি এই বাদ্য বজোৱা হয়। ই এককভাৱে বজোৱা বাদ্য নহয়। গীতৰ তাল ৰক্ষাৰ ক্ষেত্ৰত এই বাদ্যই সহায় কৰে।

**খ) সুষিৰ বাদ্য ঃ**

মুখেৰে ফু দি বজোৱা বাদ্যক সুষিৰ বাদ্য বুলি কোৱা হয়। সুষিৰ বা শুষিৰ শব্দৰ অৰ্থ বিন্ধা বা ফুটাবিশিষ্ট। সুহুৰি মৰাৰ প্ৰথা, শংখ বজোৱা, মুখৰ আগত কিবা বস্তু ৰাখি মাতটো ডাঙৰ কৰা অথবা চুঙা আদিত ফু দি জুই ধৰা আদি বিভিন্ন প্ৰক্ৰিয়াই আদিম মানুহক সুষিৰ বাদ্য সৃষ্টি কৰাত প্ৰেৰণা যোগাইছিল বুলি ভাবিবৰ থল আছে। বতাহক বিশেষ প্ৰক্ৰিয়াৰে নিয়ন্ত্ৰণ কৰিবলৈ এই বাদ্য বজোৱা হয়। ম'হৰ শিং, মানুহ আৰু জন্তুৰ হাড় আদিৰ পৰা অতীতত সুষিৰ বাদ্য সৃষ্টি কৰিছিল। সুষিৰ বাদ্যৰ ভিতৰত বাঁহী বা বংশী, কালি, মহৰী, পেঁপা,শংখ, সুতুলি আদি উল্লেখযোগ্য। খ্ৰীঃপূঃ দ্বিতীয় শতিকাত নিৰ্মাণ হোৱা সুষিৰ বাদ্য গ্ৰীক, ভাৰত, চীন আৰু জাপানত প্ৰাচীন সভ্যতাত উদ্ধাৰ হৈছে। ইউৰোপীয় সভ্যতাত ১১ শতিকাৰ পৰা ১৬ শতিকাৰ ভিতৰত সুষিৰ বাদ্যই বিশেষ অধিপত্য বিস্তাৰ কৰিছিল। এছিয়া মহাদেশৰ সুষিৰ বাদ্যই বিশেষ অধিপত্য বিস্তাৰ কৰিছিল। এছিয়া মহাদেশৰ সুষিৰ বাদ্যসমূহ মূলতঃ বাঁহেৰে নিৰ্মিত। বাঁহী, পেঁপা, শিঙা, কালি, শংখ, বেণু, মুৰুলী, সুতুলি, ভেৰী ইত্যাদি সুষিৰ বাদ্য।

মিচিংসকলৰ ব্যৱহাৰ কৰা বাদ্যৰ ভিতৰত সুষিৰ বাদ্যৰ সংখ্যাই অধিক। এনে বাদ্যক তেঁওলোকে তাপুং বুলি কয়। মিচিংসকলৰ মাজত তাপুং জাতীয় বাদ্যৰ সৰ্বাধিক প্ৰচলন আছে। যেনে- ঔজক তাপুং, পুমছু তাপুং, দীৰ্কি তাপুং, জেগৰী তাপুং, তুঃতক তাপুং, কেতপং তাপুং, তুঃলু তাপুং, গুঃতিক, দুম্পে, গুংগাং।

**১/ পেম্পা ঃ (জেকৰেং তাপুং) ঃ**

অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলন থকা বাদ্য হৈছে পেঁপা। পেঁপাক মিচিং ভাষাত 'পেম্পা' বোলে। জেকৰেং অৰ্থাৎ ম'হৰ শিঙৰ পৰা এই বাদ্য তৈয়াৰ কৰা হয়। মিচিংসকলে ম'হৰ শিঙত বাঁহ বা নলেৰে সজা থুৰি সুমুৱাই পেম্পা তৈয়াৰ কৰে। ইয়াৰ নলিচাত আঙুলি বুলাব পৰাকৈ ফুটা কৰি নলিচাৰ এটা মূৰত চুপহি বা থুৰি আৰু আনটো মূৰত ম'হৰ শিঙৰ আগ টুকুৰা লগাই লোৱা হয়। চুপহি অংশটো মুকত লগাই ফুৱাই দিলেই ইয়াৰ শব্দ সৃষ্টি হয় আৰু এই শব্দবোৰ হাতৰ আঙুলিৰে নলিচাৰ ফুটাবোৰ নিয়ন্ত্ৰণ কৰিলে সুৰ সৃষ্টি হয়। মিচিং পেঁপাৰ গঢ় আৰু সুৰৰ পাৰ্থক্য আছে।

Scanned by CamScanner

**২/ লাউবাহী (অজৗক তাপুং) ঃ**

'অজৗক' মানে লাওআৰু 'তাপুং' মানে ফু মাৰি বজোৱা বাদ্য। সেয়ে বনৰীয়া লাও বা তিতা লাওৰ পৰা তৈয়াৰ কৰা ফু মাৰি বজোৱা বাদ্যক 'অজৗক তাপুং' বোলে। পূৰ্বঠ তিতা লাও ৰ'দত বা ধোৱাচাঙত শুকুৱাই ভিতৰৰ মঙহবোৰ উলিয়াই লোৱা হয়। লাওটোৰ গা অংশত ফুটা কৰি নলিচা সংযুক্ত কৰি এই বাদ্য তৈয়াৰ কৰা হয়। নলিচাত ফু দি ফুটাবোৰেদি বতাহৰ গতি বন্ধ বা খুলি দিলে শ্ৰুতিমধুৰ শব্দৰ সৃষ্টি হয়। গা অংশত সংযুক্ত কৰা নলিচাৰ সংখাৰ ওপৰত ভিত্তি কৰি অজৗক তাপুঙত তিনিটা ভাগত ভাগ কৰিব পাৰি —

**ক) লৃঃচৃক তাপুং ঃ**

লৃংচৃক ৰ অৰ্থ হ'ল তিনিডলীয়া। এই তাপুঙত তিনিডাল নলিচা সংযোগ কৰা হয়। , তলৰ ফালে দুডাল আৰু ওপৰৰ ফালে এডাল। তিনিডাল নলিচা সংযোগ কৰা বাবে এনে তাপুঙক 'লৃঃচৃক তাপুং' বোলে। এনে তাপুং বজোৱা অতি কঠিন।

**খ) পুম্‌ছ তাপুং ঃ**

'পুম্‌ছ 'ৰ অৰ্থ যুৰীয়া যুৰীয়া নলিচাযুক্ত অজৗক তাপুঙক 'পুম্‌ছ তাপুং' বোলে।

**গ) তুম্‌ব তাপুং ঃ**

তুম্‌বৰ অৰ্থ হ'ল এডাল নলিচাযুক্ত। এনে 'তুম্‌ব তাপুঙ'ত 'কোবাই' বা বিষাদ গীত বজোৱা হয়।

**৩/ বাঁহী জাতীয় বাদ্য ঃ**

বাঁহী শাস্ত্ৰীয় আৰু লোকসংগীত উভয়তে ব্যৱহৃত হৈ আহিছে। অজনজাতীয় সমাজৰ তুলনাত জনজাতীয় গোষ্ঠীবিলাকৰ মাজতহে বাঁহীৰ স্থান অধিক গুৰুত্বপূৰ্ণ আৰু ইয়াৰ প্ৰচলন ব্যাপক। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন ধৰণৰ বাঁহীৰ ব্যৱহাৰ আছে। জনগোষ্ঠীভেদে বাঁহীবোৰৰ নামৰ ভিন্নতা লক্ষ কৰা যায়। বড়োসকলে ব্যৱহাৰ কৰা দীঘল বাঁহীক 'চিফুং' বুলি কয়। ৰাভাসকলৰ মাজত বিভিন্ন বাঁহীৰ প্ৰচলন আছে। সেইবোৰ হৈছে — 'ব্ৰাংছি', 'লাখৰ', 'খাৰা ব্ৰংছি' বা 'কাঢ়ানল বাঁহী' 'জাপ খাৰা বাঁহী' ইত্যাদি। ডিমাছাসকলৰ বাঁহী হৈছে 'চুপিন' আৰু 'মুৰি ৱাটিছা'। তিৱাসকলৰ বাঁহী 'থোৰাং', পাংচি' নামৰ এবিধ , সৰু বাঁহীও তিৱাসকলে ব্যৱহাৰ কৰে। কাৰ্বিসকলে বাঁহীক 'পাংচে', ৰাংখলসকলে 'থেইলে' আৰু 'বেলেম', ভাইসকলে 'লি-লু' বোলে। কুকি, মাৰ আৰু বেইটেসকলে ব্যৱহাৰ কৰা এবিধ বাঁহী হৈছে 'ফেইফিট'। সাধাৰণতে 'ফেইফিট' বজাই তেঁওলোকৰ সমাজত চিকাৰীক সন্মান জনোৱা হয়। বাঁহীক মিচিংসকলে 'তাপুং' বোলে। "বাঁহী ৰ আদি জন্মস্থান চীন বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে।"

মিচিংকলৰ মাজৰ বাঁহী জাতীয় বাদ্য দুই ধৰণৰ — ক) তুঃতক তাপুং আৰু খ) জৗৰকি বা কেতপং তাপুং।

Scanned by CamScanner

**ক) তুঃতক তাপুং ঃ**

সৰু জাতিবাঁহৰ আগৰ পৰা প্ৰায় পোন্ধৰ বা ষোল ইঞ্চি দীঘল আৰু এক বা ডেৰ ইঞ্চি গোল জোকত তুঃতক তাপুং সজা হয়। 'তুঃতক' শব্দৰ অসমীয়া প্ৰতিশব্দ হৈছে তললৈ হেলনীয়া কৰা ইয়াক এফুট দীঘল বাঁহৰ টুকুৰাৰে এটা মূৰ সানান্য চেপেটা কৰি কুঁহিলা জাতীয় ঠিলাৰে বন্ধ কৰি কমকৈ বায়ু পাৰ হ'ব পৰাকৈ ৰাখি দিয়া হয়। যাতে মুখেৰে ফুৰাই দিলে শব্দ হয়। আঙুলী বুলোৱা ফুটাবোৰ বাঁহীৰ নিচিনা — কিছুমানত পাঁচটা আৰু কিছুমানত ছটা ফুটা থাকে। এই বাদ্যত সকলো সুৰ বজাব পাৰি। 'লৃগাং চঃমান'ত 'কাবান'ৰ সুৰ কুৰুলিত তোলা হয়।

**খ) দীৰকি বা কেতপং তাপুং ঃ**

'তুঃতক তাপুঙ' ৰ দৰে সৰু জাতি বাঁহৰ আগৰ পৰা এইবিধ বাদ্য বজোৱা হয়। পথালিকৈ বজোৱা বাবে এই বাদ্যক 'দীৰকি' বা 'কেতপং তাপুং' বোলে। ই প্ৰায় ১৫/১৬ ইঞ্চি দীঘল আৰু এক ডেৰ ইঞ্চি গোল জোখত কেতপং তাপুং সজা হয়।

**৪/ তু - লুং তাপুং ঃ**

এই তাপুং অতীজৰ সংকেতধ্বনি হিচাপে ব্যৱহাৰ কৰিছিল। হিংস্ৰ জীৱ-জন্তু ওলালে এই বাদ্য বজাই লগৰ লগৰীয়াক সংকেতেৰে সম্ভাব্য বিপদৰ বাবে সজাগ কৰি দিছিল। প্ৰায় ডেৰ-দুই হাত বাঁহ গাঁঠি নৰখাকৈ টুকুৰা কৰি শংখ বজোৱাৰ দৰে ফু মাৰি এই বাদ্য বজোৱা হৈছিল।

**৫/ গুংগাং – গুঃতিক ঃ**

বাঁহেৰে সজা এবিধ সৰু সুষিৰ বাদ্য। চীনদেশৰ পৰা ছাইবেৰীয়ালৈকে এই বাদ্যৰ ব্যৱহাৰ লক্ষ কৰা যায়। অৱশ্যে সেই দেশবোৰৰ গগণাৰ লগত অসমৰ গগণাৰ পাৰ্থক্য আছে। অসমৰ গগণা বাঁহৰ, সেইবোৰ দেশৰ গগণা কাঠেৰে তৈয়াৰী।

গগনা সাজিবলৈ দুই বা তিনি ছেণ্টিমিটাৰ বহল আৰু ওঠৰ বা বিছ ছেণ্টিমিটাৰ দৈৰ্ঘ্যৰ হাঁহৰ প্ৰয়োজন। সাধাৰণতে এই বাদ্য ব্যৱহাৰ কৰিবলৈ জাতি বা বিজুলী বাঁহ ব্যৱহাৰ কৰা হয়। নিৰ্দিষ্ট জোখৰ বাঁহ পাতলকৈ এৰুৱাই বাঁহচটাৰ এটা মূৰৰ মাজ অংশ পাতল কৰি দহ বা এঘাৰছেণ্টিমিটাৰ জোকৰ এখন জিভা কাটি জিভাখনৰ দুয়োকাষে ডেৰ বা দুই মিলিমিটাৰ জোখৰ বাঁহ কাটি এৰুৱাই গগণা প্ৰস্তুত কৰা হয়। দুই ওঁঠৰ মাজত পথালিকৈ ধৰি জিভা কাটি থোৱা অংশটোত সোঁহাতৰ তৰ্জনী আঙুলিৰে বুলাই এই বাদ্য বজোৱা হয়। "ইয়াক দাঁতেৰে ধৰি আঙুলিৰে ঝংকাৰ দি বজোৱা হয়। গগণা বজাওঁতে পাকৈত বজাওঁতাই জিভা আৰু মুখৰ ভিতৰত বতাহেৰে কাম কৰে। ই এক জটিল কাম। গগণাৰ মাত বৰ মিহি। ভালদৰে গগণা বজালে কথা কোৱা যেন শুনি। গাভৰু মেলত গগণাত বিহুনাম তুলি আনে নুশুনাকৈ ৰসৰ ৰসসৰা মেলে।

গগণা দুই প্ৰকাৰৰ — ছোৱালীয়ে বজোৱা গগণা লাহৰী গগণা বা ৰূপহী গগণা আৰু ল'ৰাই বজোৱা ৰামধন গগণা।

মিচিংসকলে গগণাক 'গুংগাং' বোলে। মিচিংসকলৰ গুংগাং দুইপ্ৰকাৰৰ — ক) আঙুলীৰে লৰাই বজোৱা, খ) ৰছী টানি বজোৱা। ৰছী লগাই টানি টানি পথালিকৈ বজোৱা বাবে এই বাদ্যক 'দীৰকি' বা

Scanned by CamScanner

'কেতপং তাপুং 'বোলে। 'কেতপং তাপুং' বোলে। 'কেতপং তাপুং' 'তুঃতক তাপুঙ'তকৈ দীঘল। ই প্রায় ১৫/১৬ ইঞ্চি দীঘল আৰু এক ডেৰ ইঞ্চি গোল জোখত কেতপং তাপুং সজা হয়।

**৪/ তু - লুং তাপুং ঃ**

এই তাপুং অতীজত সংকেত ধ্বনি হিচাপে ব্যৱহাৰ কৰিছিল। হিংস্র জীৱ-জন্তু ওলালে এই তাপু বজাই লগৰ লগৰীয়াক সংকেতেৰে সম্ভাব্য বিপদৰ বাবে সজাগ কৰি দিছিল। প্রায় ডেৰ দুই হাত বাঁহ গাঁঠি নৰখাকৈ টোকোৰা কৰি সংখ বজোৱাৰ দৰে ফু মাৰি এই বাদ্য বজোৱা হৈছিল।

**গ) মিচিংসকলৰ তত বাদ্য ঃ**

তন্ত্র অর্থাৎ তাঁৰপ্রধান বাদ্যযন্ত্র নাম তত বাদ্য। নির্মাণ শৈলীৰ দিশৰ পৰা তত বাদ্যসমূহেই জটিল প্রক্রিয়াৰ বাদ্য। শাক-পাচলিৰ আঁহ, ধাতুৰ আঁহ, জন্তুৰ নোম আৰু আধুনিক কালত কৃত্রিম আহেঁৰেও এই বাদ্য নির্মাণ কৰা হয়। আঁহসমূহক বিভিন্ন প্রকাৰ আৰু আকাৰৰ বাদ্যযন্ত্রৰ খোলাত সংযোগ কৰি বা মেৰিয়াই নির্মাণ কৰা হয়। সুষিৰ বা অনন্দ বাদ্যৰ দৰে এই বাদ্যৰ ক্রমবিকাশৰ ইতিহাস বৰ প্রচীন নহয়। চীন আৰু দক্ষিণ পূব এছিয়াৰ সভ্যতালৈ মধ্য এছিয়াৰ পৰা অহা অভিযানকাৰী সকলে এইবিধ বাদ্য সংযোজিত কৰিছিল বুলি ইতিহাসবিদসকলে ক'ব বিচাৰে। তত বাদ্য সুৰাশ্রয়ী বাদ্য। এই বাদ্যৰ ভিতৰত বীণ, বীণা, ৰবাব, চেৰেণ্ডা, টোকাৰী, লাও টোকাৰী, একতাৰা, দোতোৰা, গোপীযন্ত্র, খমক আদি বাদ্যক সামৰে। মিচিংসকলৰ মাজত তত বাদ্যৰ সংখ্যা তেনেই কম। 'দেনদুন' বা পিঃচেং দুম্‌দুম্, পুঃই বা কেঃকু আৰু দেনতুগ।

**১/দেনদুন বা পিঃচেং দুম্‌দুম ঃ**

এই বাদ্য মেগেলা বা চেপকৰ ঠাৰিৰে সজা হয়। মেগেলা ফুলৰ ঠাৰি বা চেপকৰ ঠাৰি ধোৱাচাঙত শুকুৱাই তাৰ ওপৰৰ বাকলিৰ পৰা দুফালে আঁহৰ নিচিনাকৈ উলিয়াই আনি দুমূৰে বান্ধি দিয়া হয়। তেনেকৈ প্রায় এফুট দীঘল ১৮/২০ ডালমান ঠাৰি উলিয়াই একেলগে বান্ধি তাৰ দুমূৰত এডাল গোটা মাৰি সুমুৱাই দিয়ে, যাতে ওপৰলৈ উলিয়াই অনা বাকলিবোৰৰপৰা শব্দ হয়। তাৰে এপিঠিত দুডাল কাঠি দিয়া হয় আৰু আনটো পিঠি উকাকৈ ৰাখে। খৰিকা দিয়া ফালে মাৰিৰে আঘাত কৰি বজোৱা হয় আৰু আনটো পিঠিত আঙুলিৰে বুলাই তাল মিলোৱা হয়। ঢোলৰ বিভিন্ন ছেও আৰু তাল 'দেনদুন্'তো বজাব পাৰি। বিশেষকৈ অইনিঃতমৰ সহবাদ্য হিচাপে দেনদুন্ বজোৱা হয়।

**২/ পুঃই বা কেঃকু ঃ**

এই বাদ্য নাৰিকলৰ খোলা বা কাঠ-বাঁহৰ চুঙা বা শুকান লাও টুকুৰাত গুই বা পহুৰ ছালেৰে চাওনি কৰি একতাঁৰাৰ দৰে নির্মাণ কৰা হয়। অৱশ্যে এই বাদ্য বেহেলাৰ দৰে বজোৱা হয়। পুঃই বা কেঃকু নৃত্য বা গীতৰ লগত বজোৱা নহয়, ই একক বাদ্য।

Scanned by CamScanner

**৩/ দেনতুগ ঃ**

কিছু শকত পাব দীঘল দুই মূৰে গাঁঠি থকা জাতিবাঁহেৰে এই বাদ্য নিৰ্মাণ কৰা হয়। বাঁহটুকুৰাৰ এফালে এক বা ডেৰ ইঞ্চি বহলকৈ ওপৰৰ বাকলি এৰুৱাই দিয়া হয়। বাকলি গোচাই দিয়া দুইকাষে এডালকৈ ৰছী সদৃশ বাকলি উলিয়াই দুইমূৰত গোটা মাৰি টানকৈ সুমুৱাই দিয়া হয়। বাকলি গোচাই দিয়া অংশৰ মাজত এক বৰ্গ ইঞ্চি জোখৰ ফুটা কৰি দুডাল তাঁৰ সদৃশ ৰছীত বাঁহৰ পাট এচতা টানকৈ লগাই দিয়া হয়, যাতে মাৰিৰে কোবাই দিলে শব্দ কৰে। এই বাদ্য কোনো উৎসৱ-পাৰ্বণত বজোৱা নহয়, সাধাৰণতে গাঁৱৰ চেমনীয়া ল'ৰাই মাজে মাজে বজাই স্ফূৰ্তি কৰে।

**ঘ) অৱনদ্ধ বা আনদ্ধ বাদ্য ঃ**

'অৱনদ্ধ' শব্দৰ অৰ্থ হ'ল আবৃত বা ঢাকি ৰখা। সেয়ে সংগীত শাস্ত্ৰ মতে বাহিৰত বন্ধ আৰু ভিতৰটো খোলা সকলো বাদ্যযন্ত্ৰই হ'ল অৱনন্দ বাদ্যযন্ত্ৰ। অৰ্থাৎ চামৰাৰে মুখ ঢাকি হাতৰ আঙুলি বা মাৰিৰে আঘাত কৰি ধ্বনি উৎপন্ন কৰিব পৰা বাদ্যবোৰকে অৱনন্দ বাদ্যযন্ত্ৰ বোলা হয়। অৱনদ্ধ বা আনদ্ধ বাদ্যক বুজাবলৈ 'পুষ্কৰ' শব্দটোও ব্যৱহাৰ কৰা হয়। পৃথিৱীৰ প্ৰায়বোৰ দেশতেই এনে বাদ্যযন্ত্ৰৰ প্ৰচলন থকা দেখা যায়। নিত্য ব্যৱহাৰ্য মাটিৰ পাত্ৰ বা কাঠৰ খোলাত জন্তুৰ ছাল মেৰিয়াই তৈয়াৰ কৰা এইবিধ বাদ্য নানা পৰিৱৰ্তনৰক মাজেদি আহি আজিৰ অৱস্থা পাইছেহি। প্ৰচীনত্বৰ ফালৰ পৰা ঘন বাদ্যৰ পিছতে অৱনদ্ধৰ স্থান। প্ৰথমতে কাঠৰ টুকুৰা এটাৰ দুয়ো মুৰত কাঠৰ বাকলি বান্ধি লোৱা হৈছিল। পাছলৈ গছৰ বাকলিৰ স্থান ল'লে চামৰাই। এইবিধ অনৱদ্ধ বাদ্যৰ নামেই বেদত দিয়া হৈছে ভৌমি দুন্দুভি। ইজিপ্তৰ সভ্যতাত উদ্ধাৰ হোৱা খ্ৰীঃপূঃ ৪০০০ বছৰৰ আগেয়ে ব্যৱহাৰ হোৱা আনন্ধ বাদ্যই সবাতোকৈ প্ৰচীন বুলি জনা যায়। মেছোপটেমিয়াত দৈত্যকায় গাঁথনিৰ ঢোল মণ্ডিৰৰ পূজাত ব্যৱহাৰ হোৱাৰ প্ৰমাণ পোৱা যায়।

অৱনদ্ধ বাদ্যৰ ধ্বনি স্পষ্টভাৱে প্ৰকাশ কৰিব পাৰি। তদুপৰি এনে ধ্বনিৰ স্থায়িত্ব অধিক। সংগীতত বাদ্য ব্যৱহাৰ কৰিবলৈ সুচল। সুৰাশ্ৰয়ী বাদ্য হিচাপে এই বাদ্যৰ ব্যৱহাৰ নাই যদিও তালাশ্ৰয়ী বাদ্য হিচাপে এই জাতীয় বাদ্য সৰ্বশ্ৰেষ্ঠ। খোল, মৃদংগ, নগাৰা, দবা, দগৰ, ডম্বৰু, বৰঢোল,জয়ঢোল, ঢেপাঢোল, খোল ইত্যাদি অৱনন্দ বাদ্যৰ উদাহৰণ। সকলো বাদ্যযন্ত্ৰ ভিতৰত ঢোলৰ ব্যৱহাৰৰ ব্যাপকতা অধিক। গ্ৰাম্য কৃষক সমাজৰ ই স্বতঃস্ফূৰ্ত সৃষ্টি। মাংগলিক কাৰ্যত পৃথিৱীৰ সকলো দেশতে ঢোলৰ ব্যৱহাৰ আছে। যুদ্ধযাত্ৰাৰ সময়তো ঢোলৰ ব্যৱহাৰ কৰা হৈছিল। আফ্ৰিকা মহাদেশত ঢোলৰ ব্যৱহাৰ পৃথিবীৰ ভিতৰতে অধিক। মিচিংসকলৰ মাজত প্ৰচলিত আনন্দ বাদ্যৰ সংখ্যা কম। মিচিংসকলৰ আনন্দ বাদ্য দুবিধ হৈছে — 'দুমদুম' আৰু 'কেঃকু' বা পুঃই।

**১/ ঢোল (দুমদুম) ঃ**

ঢোলবাদ্যক মিচিংসকলে 'দুমদুম' বোলে। মিচিঙৰ এই বাদ্যবিধ মিচিং বিহুৰ এটি অপৰিহাৰ্য বাদ্য। মিচিং ভাষাৰ 'দুমদুম' এক অনুকাৰ শব্দ। এই বাদ্যবিধৰ ছেও-চাপৰৰ এক নিজস্ব শৈলী আছে। এই ছেও-চাপৰ অন্যান্যসকলৰ বিহুৰ ছেৱতো সোমাই পৰা দেখা যায়। গুম্ৰাগ নৃত্যত এই বাদ্যৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ঢোলৰ আন আন নাম হ'ল দমা, দমামা, কোহল, কাহালি, ডংকা, দুন্দুভি, জয়ডংকা ইত্যাদি। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় সকলো জনগোষ্ঠীৰ মাজত ঢোলবাদ্যৰ ব্যৱহাৰ আছে। জনগোষ্ঠীভেদে নাম আৰু আকাৰৰ অৱশ্যে বিন্নতা লক্ষ কৰা যায়। অসমৰ প্ৰধান জনগোষ্ঠী বড়োসকলৰ

Scanned by CamScanner

ঢোল 'খাম', ৰাভাসকলৰ 'হেম' বা 'খাম', তিৱাসকলৰ 'খ্ৰাম', 'খ্ৰামবাৰ', 'দগাৰা' বা 'তুম্বাং'। ডিমাচাসকলৰ 'খ্ৰাম' ছাবলৈ হৰিণাৰ ছাল ব্যৱহাৰ কৰে। কাৰবিসকলৰ ঢোল হৈছে 'চেং' আৰু 'চেংবুৰূপ', জেমি নগাসকলৰ 'ইনচুম'। কুকি, মাৰ, বেইটে আৰু ৰাংখসকলৰ ঢোল 'খুৰং', মাৰসকলৰ খুৰং সৰু-ডাঙৰ কেবা প্ৰকাৰৰ আছে।

মিচিং বয়োবৃদ্ধসকলৰ মতে আগতে বাঁহৰ চুঙাত নাইবা ফোঁপোলা বাঁহৰ ধোন্দত দুমূৰে পছুছাল দি ঢোল হিচাপে ব্যৱহাৰ কৰিছিল। মিচিং আৰু আঁকাসকলে এতিয়াও এনেধৰণৰ পছুছাল দিয়া সৰু ঢোল ব্যৱহাৰ কৰে। বৰ্তমান অসমীয়া ঢোলক দৰে মিচিংঢোল তৈয়াৰ কৰা হয়। কঁঠাল, আম, চিচু আদি গছৰ বিশ বা বাইশ ইঞ্চি দীঘল, বত্ৰিশ বা চৌত্ৰিশ ইঞ্চি শকত টুকুৰা কাটি ভিতৰ অংশ ওলিয়াই ফোঁপোলা কৰি লোৱা হয়। এটা মূৰ সামান্য ডাঙৰ কৰি ৰাখি আনটো ফাল কিছু সৰুকৈ কাটি লোৱা হয়। ইয়াৰ দুইমূৰ গৰু বা ছাগলীৰ ছালেৰে বন্ধ কৰি লৈ বজোৱাৰ উপযোগী হোৱাকৈ সজা হয়। দুমদুমৰ এটা মূৰ মাৰিৰে কোবাই আৰু আনটো মূৰ হাতৰ তলুৱাৰে আঘাত কৰি বজোৱা হয়। মিচিং ঢোলৰ গঢ় দুই ধৰণৰ। দৰং জিলাৰ কৰলী অঞ্চলৰ মিচিংসকলৰ ঢোলৰ গঢ়ৰ লগত উজনি অঞ্চলৰ ঢোলৰ গঢ়ৰ কিছু পাৰ্থক্য দেখা যায়। ঢোলৰ ছেঁও চাপৰৰো পাৰ্থক্য লক্ষ কৰা যায়।

মিচিংসকলৰ বাদ্যসমূহ বিশ্লেষণ কৰি চালে দেখা যায় যে তেঁওলোকৰ বাদ্যসমূহৰ সৰহভাগ প্ৰকৃতিৰ সহজতে পোৱা সামগ্ৰীৰে তৈয়াৰী। যেনে — তিতা লাও আৰু বাঁহেৰে নিৰ্মিত বিভিন্ন ধৰণৰ তাপুং, টক্‌টক্ বা টকা, গুংগাং, দুমপাক্।

কাঠোৰে নিৰ্মিত ঃ দুমদুম্, কঃৰেগ

ম'হৰ শিঙেৰে নিৰ্মিত ঃ পেম্পা

মেগেলাৰে নিৰ্মিত ঃ দেনদুন

এই বাদ্যসমূহৰ নিৰ্মাণ কৌশলে তেঁওলোকৰ সূক্ষ্ম নিৰীক্ষণ আৰু সংগীত প্ৰীতিৰ কথাই কয়। ব্ৰহ্মপুত্ৰ দক্ষিণ পাৰতকৈ উত্তৰ পাৰৰ মিচিং সমাজত বাদ্যসমূহৰ বহুল ব্যৱহাৰ আছে। আনকি উত্তৰ পাৰত বিশেষকৈ লক্ষিমপুৰ, ধেমাজিত বাদ্য বজাব জনা আৰু তৈয়াৰ কৰিব জনা মানুহ ক্ষেত্ৰ অধ্যয়ণত আমি লগ পাইছেলো। দক্ষিণ পাৰৰ বহুত মিচিং গাঁৱত পৰম্পাগত মিচিং বাদ্য বাতৈয়াৰ কৰিব জনা মানুহৰ অভাৱেই নহয়, তেঁওলোকে কিছুমান বাদ্যৰ নাম পৰ্যন্ত পাহৰি গৈছে। উদাহৰণস্বৰূপে - তাপুং জাতীয় বাদ্য, দেন্দুন, দেন্তক এই বাদ্যসমূহৰ নাম নুশুনা মিচিং লোকো আছে। বহু মিচিং গাঁৱত ঢোল, তাল আৰু টকাৰ ব্যৱহাৰহে জানে।

## ২/ কেকুং ঃ

কেকুং মিচিং সমাজত প্ৰচলিত এবিধ বীণ বাদ্য। নাৰিকলগ খোলা, কাঠ আৰু বাঁহৰ চুঙাত গুঁইসাপ বাবৰ ভেকুলীৰ ছালেৰে চাই এই বাদ্য তৈয়াৰ কৰা হয়। খোলাৰ পৰা ডেৰফুটমান দীঘল মুঠিটোৰ সমান ঘেৰৰ এডাল কাটৰ কুণ্ডাৰ এটা মূৰত খুলনি কৰি এডাল শলা লগোৱা হয়। এই শলালৈকে খোলাটোৰ মূৰৰ পৰা এডাল মূগা সূতা কুণ্ডাটোৰ ওপৰেৰে বান্ধি লোৱা হয়। খোলাৰ ছালৰ ওপৰত কাঠৰ সৰু টুকুৰা এটি দি ৰছীডাল দাং খুৱাই ৰখা হয় আৰু ঘোঁৰাফানেৰে সজ্জিত ৰেপনিৰে ৰছীডাল ৰেপি বাদ্যটি বজোৱা হয়।

উল্লেখিত বাদ্যসমূহৰ উপৰি মিচিংসকলে বৰ্তমান আধুনিক বাদ্যযন্ত্ৰো ব্যৱহাৰ কৰিবলৈ লৈছে। আলি-আয়ে-লৃগাং, পঃৰাগ উৎসৱ মঞ্চাভিমুখী হোৱাৰ ফলস্বৰূপে আধুনিক বাদ্যৰ ব্যৱহাৰ বৃদ্ধি পাইছে।

Scanned by CamScanner

লোকবাদ্যসমূহ তৈয়াৰ কৰিবৰ বাবে উপকৰণৰ অভাৱ আৰু নিৰ্মাণশৈলী জনা বিশেষজ্ঞৰ অভাৱো এক উল্লেখযোগ্য দিশ। বৰ্তমান কোনো কোনো মিচিং সংগঠনে এই বাদ্যসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ঠায়ে ঠায়ে কৰ্মশালা পাতি বাদ্যসমূহৰ নিৰ্মাণ আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। ই নিশ্চয় সময়োপযোগী পদক্ষেপ।

**১.০৩ মিচিংসকলৰ বাদ্যযন্ত্ৰৰ লগত জড়িত লোকবিশ্বাস ঃ**

মিচিংসকল পৰম্পৰাগত লোকবিশ্বাসত যথেষ্ট চহকী। অসমীয়া সংস্কৃতিৰ অভিন্ন অংশস্বৰূপ মিচিংসকলৰ লোকবিশ্বাসতো এনে আদান-প্ৰদানৰ ফলস্বৰূপে প্ৰতিৱেশী সকলৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। তথাপি মিচিংসকলৰ মাজত স্বকীয় লোকবিশ্বাস যুগ যুগ ধৰি পৰম্পৰাগতভাৱে চলি আহিছে। মিচিংসকলৰ কৃষিভিত্তিক আৰু ধাতুকালীন লোক উৎসৱ আলি-আঃয়ে-লৃগাঙত বজোৱা ঢোলৰ ছেও ব'হাগ বিহুত বজাব নাপায় বুলি বিশ্বাস কৰে। সেইদৰে ব'হাগ বিহুত বজোৱা বিহু হুঁচৰিৰ ছেও আলি-আঃয়ে-লৃগাঙত বজাব নাপায় বুলি বিশ্বাস কৰে। আলি-আঃয়ে-লৃগাঙত দুম্‌দুম্, লুঃপি আৰু লৌঃনং বজাই গুমৰাপ চঃমান নানাচিলে ধানৰ থোক লেৰেকি পৰে আৰু কীট-পতংগই নষ্ট কৰে। আলি-আঃয়ে-লৃগাঙত লৌঃনং বাদ্য বজালেহে পৃথিৱীলৈ বৰষুণ নামি আহে বুলি মিচিংসকলে বিশ্বাস কৰে। ই এক প্ৰকাৰ স্পৰ্শজমেজিক।

**১.০৪ মিচিংসকলে উৎসৱ-পাৰ্বণত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰ ঃ**

মিচিংসকলে তেঁওলোকৰ সামাজিক জীৱনযাত্ৰাৰ লগত সামঞ্জস্য ৰাখি বহুটো উৎসৱ-পাৰ্বণ অনুষ্ঠিত কৰে। উৎসৱবোৰ মূলতঃ কৃষিভিত্তিক আৰু ধৰ্মীয়। মিচিং জনগোষ্ঠী আমোদপ্ৰিয়। মিচিংসকলৰ উৎসৱসমূহত পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা লোকবাদ্য বিভিন্ন প্ৰকাৰৰ। তেঁওবিলাকে বিভিন্ন বাদ্যযন্ত্ৰ নিৰ্মাণ কৰি আনন্দোৎসৱ পালন কৰি আহিছে। লেংনং বাদ্য আলি-আঃয়ে-লৃগাং উৎসৱৰ 'গুমৰাগ' নৃত্যত ঢোল-তালৰ সহবাদ্য হিচাপে এই 'লেংনং' বজোৱা হয়। এই উৎসৱত মিচিংসকলে লেংলং বজাই বৰষুণ আহ্বান জনায়। আগতে এন নিয়ম আছিল যে আলি-আঃয়ে-লৃগাঙৰ দিনা গাঁৱৰ মূৰব্বী বা গামৰ ঘৰত যেতিয়ালৈকে লেংনং নাবাজে তেতিয়ালৈকে কোনেও খোৱা-বোৱা আৰম্ভ কৰিব নোৱাৰে।

'বাৰবাং' বা 'মাৰবাং' এই বাদ্যত আলি-আঃয়ে-লৃগাং উৎসৱৰ গুম্‌ৰাগ নৃত্যত ঢোল-তালৰ সহবাদ্য হিচাপে বজোৱা হয়।

লুঃপি এইবিধ বাদ্য আলি-আঃয়ে-লৃগাং, ব'হাগ বিহু আৰু 'পঃৰাগ' উৎসৱৰ বিভিন্ন নৃত্য-গীতত সংগত কৰা হয়। 'দুম্‌দুম্', 'দুম্‌পাগ', দৈনদুন্, 'দেন্‌তুক' আদি বাদ্যৰ লগত লুঃপি সহযোগী বাদ্য হিচাপে বজোৱা হয়।

মিচিংসকলৰ পঃৰাগ উৎসৱ 'মিবু দাগ্‌নাম' নৃত্যত এই বাদ্যৰ বাৰহাৰ আছে। তদুপৰি কাৰোবাৰ ঘৰত অপায়-অমংগল হ'লে মিবুৱে য়কচাৰে মংগল চাই প্ৰতিকাৰৰ বিধান দিব পাৰে বুলি মিচিংসকলে বিশ্বাস কৰে। মিচিংসকলৰ সমগোত্ৰীয় আদিসকলৰো এক জনপ্ৰিয় লোকবাদ্য য়কচা। আদিসকলৰ মাজত এই বাদ্যতি 'পুন ইয়ক্‌চি' নামেৰে জনা যায়। আদিসকলৰ মিৰি বা পুৰোহিতে 'পনুং' উৎসৱত এই বাদ্য প্ৰধান বাদ্য হিচাপে বজায়।

মিচিংসকলে পালন কৰা কৃষি উৎসৱৰ ভিতৰত ব'হাগ বিহুৰ হুঁচৰি (উনচৰি) ত টকা বা 'কক্‌তেৰ' বেছিকৈ ব্যৱহাৰ হোৱা দেখা যায়। ঢোল-তালৰ সহবাদ্য হিচাপে টকা ব্যৱহাৰ কৰা হয় যদিও কোনো কোনো মিচিং গাঁৱত কেৱল টকা বজাই ঘৰে ঘৰে হুঁচৰি (উনচৰি) গায়। আলি-আঃয়ে-লৃগাং, হ'হাগ বিহু আৰু পঃৰাগ উৎসৱতো টকাৰ ব্যৱহাৰ দেখা যায়।

Scanned by CamScanner

পেম্পা ধৰ্মীয় অনুষ্ঠান, উৎসৱ-পাৰ্বণ আৰু বিশেষ সংকেত দিবৰ বাবে এইবিধ বাদ্য বজোৱা দেখা যায়। এইবিধ বাদ্য ঢোলৰ পিছতেই মিচিংসকলৰ বিহুত পেঁপাৰ বা পেম্পাৰ স্থান।

দেন্দুন বা পিঃচেং দুম্‌দুম্ এই আলি-আঃয়ে-লৃগাং,পঃৰাগ আৰু ব'হাগ বিহুত এই বাদ্য ঠাই বিশেষে বজোৱা দেখা যায়। এই বাদ্য তৈয়াৰ কৰিব জনা কাৰিকৰী জ্ঞানসম্পন্ন মানুহৰ অভাৱৰ বাবেই ইয়াৰ ব্যৱহাৰ মিচিং সমাজত সীমিত হৈ পৰিছে।

ঢোল মিচিং কৃষি উৎসৱৰ প্ৰধান আৰু অপৰিহাৰ্য বাদ্য। দুম্‌দুম্‌ৰ ছেৱত সৃষ্টি হোৱা গুম্‌ৰাগ নৃত্যৰ নামকৰণেই এই কথাৰ প্ৰমান দিয়ে। মিচিংসকলে আলি-আঃয়ে-লৃগাং, পঃৰাগ, ব'হাগ বিহু আদি সকলো কৃষি উৎসৱতে দুম্‌দুম্ ব্যৱহাৰ কৰে।

মিচিং জনগোষ্ঠীৰ বাদ্যযন্ত্ৰবোৰৰ ভিতৰত য়কচা আৰু মাৰবাঙৰ বাহিৰে প্ৰায়বোৰ যন্ত্ৰই আনন্দ উৎসৱ-পাৰ্বমত ব্যৱহৃত হয়। সেয়েহে পঃৰাগ, আলি-আঃয়ে-লৃগাং, লিদগ অনুষ্ঠান অথবা মিবুৰ জড়িয়তে মঙ্গল চোৱাওঁতে য়কচা ব্যৱহাৰ হয়। বাকী বাদ্যবোৰ আলি-আঃয়ে-লৃগাং, বিহু, পঃৰাগ, বিবাহ আদি আনন্দৰ পৰিৱেশত য'ত ঢোল-তালৰ সংগম ঘটে তেনে পৰিৱেশত ব্যৱহাৰ হয়। পথাৰত গৰখীয়াই গৰু-ম'হ চৰাওঁতে ডেকা-গাভৰুৱে কৃষিকৰ্মত আজৰি পৰত ঐনিঃতম, কাবান গোৱাৰ আনন্দ, বিষদৰ পৰিৱেশত পেম্পা, গুংগা,দীৰকি,তাপুং, তুঃতগ্ তাপুং আদি নিৰলে-নিৰৱে বজাৱ পাৰে। আনন্দ-নিৰানন্দ, দুখ-বেদনা আদি প্ৰকাশ কৰি মনপ্ৰাণ জুৰায়। বীণ, দুলুকি বাদ্যযন্ত্ৰবোৰ বিহু, উৎসৱ আদিত অঞ্চলবিশেষে সীমিত ব্যৱহাৰ হোৱা দেখা যায়।

ওপৰত উল্লেখিত উৎসৱ-পাৰ্বণবোৰৰ বাহিৰে মিচিঙৰ আন আন উৎসৱবোৰত বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা দেখা নাযায়। যেনে - উৰম, আমৰাৰগ, দবুৰ, দদ্‌গাং, তালীং ডই, ৰকপুংউই, আপুনউই আদিত।

Scanned by CamScanner

**অধ্যয় ৩ ঃ**

**সিদ্ধান্ত ঃ**

মিচিং জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা লোকবাদ্যসমূহৰ কিছু কিছু ক্ষেত্ৰত নিৰ্মাণশৈলী, আকৃতি, প্ৰকৃতিগত সাদৃশ্য লক্ষণীয় যদিও স্বকীয় বৈশিষ্ট্যও বিদ্যমান। এইবোৰত প্ৰয়োগ হোৱা শব্দ তৰংগৰ আৰু কলা-কৌশল সৃষ্টিয়ে উন্নত প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত সমন্বয় ঘটাব পাৰে। এইবোৰৰ প্ৰণালীবদ্ধ গৱেষণাত উন্নত যন্ত্ৰৰ শাৰীত স্থান লাভ কৰিবলৈ সক্ষম হ'ব পাৰিব বুলি আশা কৰিব পাৰো। গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মিচিংসকলৰ বাদ্যযন্ত্ৰ বিষয়ে আলোচনা কৰাৰ ক্ষেত্ৰত কিছুমান সিদ্ধান্তত উপনীত হ'ব লগা হয়। তলত সিদ্ধান্ত কেইটা উল্লেখ কৰা হ'ল —

ক) মিচিংজনগোষ্ঠীসমূহে সংগীত চৰ্চাৰ ক্ষেত্ৰত কিছুমান বাদ্যযন্ত্ৰ অতীজৰে পৰা ব্যৱহাৰ কৰি আহিছে। এই বাদ্যযন্ত্ৰসমূহৰ উপৰি মিচিংসকলে বৰ্তমান আধুনিক বাদ্যযন্ত্ৰৰো ব্যৱহাৰ কৰিবলৈ লোৱা দেখা গৈছে।

খ) অতীজৰ পৰা মিচিংসকলে কৃষি উৎসৱ, আলি-আঃয়ে-লৃগাঙত যিবোৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰিছিল কিন্তু বৰ্তমান সময়ত লোকবাদ্যসমূহ তৈয়াৰ কৰিবৰ কাৰণে উপকৰণৰ অভাৱ আৰু নিৰ্মাণশৈলী জনা বিশেষজ্ঞৰ অভাৱো দেখা যায়।

গ) মিচিংসকলে বৰ্তমান এই বাদ্যসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিভিন্ন ঠাইত কৰ্মশালা পাতি বাদ্যসমূহৰ নিৰ্মাণৰ বাবে প্ৰশিক্ষণ ব্যৱস্থা কৰা দেখা গৈছে।

ঘ) মিচিংসকলৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ সমূহত বিভিন্ন ধৰণৰ লোকবিশ্বাস জড়িত হোৱা দেখা পোৱা যায়।

Scanned by CamScanner

**উপসংহাৰ ঃ**

অসমৰ সংগীতৰ পৰম্পৰা আৰু ঐতিহ্যৰ ক্ষেত্ৰত জনগোষ্ঠীয় বাদ্যযন্ত্ৰ অতীজৰেপৰা ব্যৱহাৰ কৰি আহিছে। মিচিং লোক উৎসৱসমূহত গীত আৰু নৃত্যক সম্পূৰ্ণ ৰূপ প্ৰদান কৰে লোকবাদ্যই। সংগীতত নিহিত হৈ থকা ভাৱ আৰু ৰসৰ অপূৰ্ব সমন্বয়ৰ কাৰণে ভাৰতীয় ললিত কলাৰ ভিতৰত সংগীতকে শ্ৰেষ্ঠ কলা বুলি গণ্য কৰা হয়। সংগীতত প্ৰয়োগ কৰিব পৰা সুমধুৰ ধ্বনি কৰিব পৰা যিকোনো বস্তুকেই লোকবাদ্য বা বাদ্যবস্ত্ৰ বোলা হয়। মূলতঃ প্ৰকৃতিৰ পৰা আহৰণ কৰা এই বাদ্যসমূহৰ মাজেদি তেঁওলোকৰ কলা সুলভ মনৰ উমান পোৱা দেখা যায়। মিচিং লোক সমাজত সময়-সুযোগ আৰু কেঁচা সামগ্ৰীৰ যোগাৰ হ'লেই লোকবাদ্য নিৰ্মাণ কৰা দেখা যায়। মিচিংসকলৰ বিভিন্ন বাদ্যযন্ত্ৰ নিৰ্মাণ কৰি উৎসৱ-পাৰ্ৱণ আৰু কৃষি উৎসৱসমূহ পালন কৰা দেখা যায়। 'অতীজৰে পৰা তেঁওলোকৰ ধাতৱ পদাৰ্থৰ সীমিত ব্যৱহাৰৰ বাহিৰেও বাঁহ, নল, বনৰীয়া লাও, খাগৰি আদিৰ পৰাও বাদ্যযন্ত্ৰ সাজি উলিয়াই। মিচিংসকলৰ এই পৰম্পৰাগত বাদ্যযন্ত্ৰবোৰে মিচিং জাতিটোক অধিক সমৃদ্ধিশালী কৰি তোলাৰ লগতে জাতীয় চেতনাক ধৰি ৰাখিছে।

এই গৱেষণাৰ পত্ৰখনিৰ জৰিয়তে মিচিংসকলৰ পৰম্পৰাগত লোকবাদ্যযন্ত্ৰক আলোচনাৰ মাজেদি অধিক জানিবলৈ তথা তেঁওলোকে ব্যৱহাৰ কৰা বাদ্যবোৰৰ প্ৰতি আৰু অধিক আকৰ্ষণীয় কৰি তুলিবলৈ অধ্যয়ন কৰা হৈছে। এই গৱেষণাৰে মিচিং বাদ্যবোৰৰ আৰু অধিক উন্নত কৰি তুলিব পৰা যাব।

Scanned by CamScanner

প্ৰসংগটোকা ঃ

১/ দাস, ড° অংশুমান, অসমৰ বাৰেবৰণীয়া সংস্কৃতি, পৃঃ ৬৯-৭৪

২/ ৰাজখোৱা, ড° অজন্তা, মিচিং সংস্কৃতিৰ সুবাস, পৃঃ ১১৬-১৩৩

৩/ পেগু, ড° গণেশ, ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিং জনজাতি আৰু তেঁওলোকৰ মৌখিক-সাহিত্যৰ সমীক্ষামূলক অধ্যয়ন, পৃঃ ৪-৭

৪/ পাটৰ, পদ্ম, জনজাতি সমাজ সংস্কৃতি, পৃঃ ১৪৪, ১৪৫, ৪৫৭, ৪৫৮, ৪৫৯

Scanned by CamScanner

**গ্ৰন্থপঞ্জী ঃ**


১/কাগ্যুং, মৃনালী ঃ অসমৰ সংস্কৃতি অধ্যয়ন
প্ৰকাশক ঃ
প্ৰথম প্ৰকাশ - আগষ্ট ২০২০
ক্ৰমবিৱৰ্তনত মিচিং লোক উৎসৱ, অলিম্পিকা প্ৰকাশন ২০১৮

২/ দাস, অংশুমান ঃ অসমৰ বাৰেবৰণীয়া সংস্কৃতি
প্ৰথম প্ৰকাশ, ডিচেম্বৰ ২০১৩
প্ৰকাশন ঃ আঁক-বাকৰ বিক্ৰীৰ কেন্দ্ৰ, সৰস্বতী মাৰ্কেত,যশোৱন্ত ৰোড, পাণবজাৰ, গুৱাহাটী-১

৩/ পাটৰ, পদ্ম ঃ জনজাতি সমাজ সংস্কৃতি
প্ৰকাশন ঃ গ্ৰন্থস্বত্ব
প্ৰথম প্ৰকাশ, জুলাই ২০০৮

৪/ পেগু, গণেশ ঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিং জনজাতি আৰু তেঁওলোকৰ মৌখিক সাহিত্যৰ সমীক্ষামূলক অধ্যয়ন
প্ৰকাশক এন.এল. পাব্লিকেশ্বনছ
আনন্দৰাম বৰুৱা পথ, পাণবজাৰ, গুৱাহাটী -১,২০১০

৫/ বৰা, দেৱজিৎ ঃ উত্তৰ-পূৰ্বাঞ্চল জনগোষ্ঠী লোক সংস্কৃতি, প্ৰথম প্ৰকাশ ডিচেম্বৰ, ২০১৪
প্ৰকাশক ঃ অপূৰ্ব কলিতা

৬/ ভট্টাচাৰ্য, শ্ৰী প্ৰমোদ চন্দ্ৰ ঃ অসমৰ জনজাতি
দ্বিতীয় প্ৰকাশ ঃ১৯৯১
প্ৰকাশক ঃ অসম সাহিত্য সভাৰ হৈ শ্ৰী খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা
লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী

৯/ ৰাজখোৱা, অজন্তা ঃ মিচিং সংস্কৃতি সুবাস
প্ৰকাশক ঃবনফুল প্ৰকাশন


Scanned by CamScanner

**তথ্যদাতাৰ নাম ঃ**

তাৰিখ ঃ ১৪/০৫/২০২২

১/ নাম ঃ শ্ৰীমতী চম্পা পলং
গাঁও ঃ গড়াজান মিচিং গাঁও, ডাকঘৰ ঃ গড়াজান
বৃত্তি ঃ শিপিনী, বয়স ঃ ৪৩, মোবাইল নং ঃ ৯৯৫৪৫০৭৪৮৮

২/ নাম ঃ শ্ৰীমতী নমিতা পলং
গাঁও ঃ গড়াজান মিচিং গাঁও, ডাকঘৰ ঃ গড়াজান
বৃত্তি ঃ শিপিনী, বয়স ঃ ৪৫, মোবাইল নং ঃ ৯৯৫৭২৩২৯৭১

৩/ নাম ঃ শ্ৰীমতী লিলি পলং
গাঁও ঃ গড়াজান মিচিং গাঁও, ডাকঘৰ ঃ গড়াজান
বৃত্তি ঃ গৃহিনী,শিপিনী, বয়স ঃ ৬৫, মোবাইল নং ঃ

৪/ নাম ঃ শ্ৰীমতী অঞ্জুমণি ৰেগ্‌ন
গাঁও ঃ গড়াজান মিচিং গাঁও, ডাকঘৰ ঃ গড়াজান
বৃত্তি ঃ শিপিনী, বয়স ঃ ৪৬, মোবাইল নং ঃ

৫/ নাম ঃ শ্ৰীমতী বিশাল মিপুণ
গাঁও ঃ গড়াজান মিচিং গাঁও, ডাকঘৰ ঃ গড়াজান
বৃত্তি ঃ শিক্ষাৰ্থী, বয়স ঃ ২০, মোবাইল নং ঃ

তাৰিখ ঃ ২০/০৫/২০২২

৬/ নাম ঃ শ্ৰীমতী মাইনী পলং
গাঁও ঃ চৰিয়া পথাৰ মিচিং গাঁও, ডাকঘৰ ঃ মেলামাটি
বৃত্তি ঃ গৃহিনী,শিপিনী, বয়স ঃ ৬৫, মোবাইল নং ঃ

৭/ নাম ঃ শ্ৰীমতী শেৱালী পলং
গাঁও ঃ চৰিয়া পথাৰ মিচিং গাঁও, ডাকঘৰ ঃ মেলামাটি
বৃত্তি ঃ গৃহিনী,শিপিনী, বয়স ঃ ৩৪, মোবাইল নং ঃ

Scanned by CamScanner

আলোকচিত্ৰ ঃ


# মিচিং পৰম্পৰাগত লোকবাদ্য



নৗঃনং




য়ক্চা



মাব্বাং



লুঃপি



দেন্দুন




পৰম্পৰাগত জেগ্ৰৌক তাপুং




ৰূপান্তৰিত জেগ্ৰৌক তাপুং

Scanned by CamScanner


# মিচিং পৰম্পৰাগত লোকবাদ্য



দুম্‌দুম্




গুঃতিক



কৌত্‌পং তাপুং



লৃঃছৃগ ঔজুক তাপুং



কঃবেগ



য়কৃচা

Scanned by CamScanner

# মিচিং পৰম্পৰাগত লোকবাদ্য



মিচিংসকলৰ লোক উৎসৱত
ব্যৱহৃত হোৱা লোকবাদ্য

Scanned by CamScanner